গীতা।

[illegible]

[illegible]

লীলা ।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

GOVERNMENT OF ASSAM
Call No...............
DISTRICT LIBRARY.

শ্রীভবদেব ভাগবতী ।

গুৱাহাটী ভবানী প্রেছত—
শ্ৰীচেনীৰাম মহন্তৰ দ্বাৰা ছপা হল।

উছৰ্গা ।

—০—

অসমীয়া সাহিত্যৰথীসকলৰ

পবিত্ৰ চৰণত

সভক্তিৰে

সমৰ্পণ কৰা হ'ল ।

পাতনি ।

দ্বিতীয়াৰ চন্দ্ৰক দেখি তেতেলি বেকা হোৱা অথবা বাওনা হৈ স্বৰগ ঢুকিবলৈ আশা কৰা কথা আমাৰি যেনে, দক্ষিণা দিগ্বিজয় কৰি পেটক প্ৰবোধ দিয়া আকৌ সংসাৰৰ নানা আওপাকত পৰি ত্ৰাহি ত্ৰাহি কৰি ভাগাৰ পৰা আমাৰ নিচিনা দুৰ্ভগীয়াৰ পক্ষেও, এনে কামৰ ওচৰ চাপা কথাটি ঠিক তেনে ।

কিন্তু কৰিম কি ?—চিন্ন চিত্তৰ প্ৰান্তৰৰ পৰা বৈ অহা দুৰাকাঙ্ক্ষাৰ প্ৰবল সোঁতক বুজনি বান্ধেৰে বাধা দিবলৈ অপাৰগ হৈ পৰাত এই কিবা খন লিখি পেলালোঁ । লৰাৰ লৰালি বুলি অভাগাক দোষৰ গধুৰ বোজাটি ডাঙ্গিব নিদি, সদাশয় সকলে যদি সুপথৰ পথিক হবলৈ ভু লগাই দিয়ে, তেন্তে তেখেতসকলৰ মৰম-বেথাৰ মাজত থাকিব পাই নিজক নিজে ভাগ্যবান বুলি ভাবিম ।

অশেষ পৰিশ্ৰম স্বীকাৰ কৰি এই ক্ষুদ্ৰ কিতাপ খনি শুধৰাই দিয়া বাবে মাননীয় শ্ৰীযুক্ত নৰেশ্বৰ

মিশ্ৰভাগৱতী বি,এ, কবিৰত্ন মহাশয়ৰ ওচৰত কৃতজ্ঞতা পাশত আবদ্ধ থাকিলোঁ।

এই সামান্য কিতাপ খনি যে ৰাইজৰ হাতত দিব পৰা গল, তাৰ মূলতে সদাশয় শ্ৰীযুক্ত বংশীবদন গোস্বামী, শ্ৰীযুক্ত ৰমাকান্ত গোস্বামী, শ্ৰীযুক্ত দেবেন্দ্ৰনাথ শৰ্ম্মা, শ্ৰীযুক্ত অমৃতচন্দ্ৰ শৰ্ম্মা, শ্ৰীযুক্ত লক্ষেশ্বৰ মিশ্ৰভাগবতী, শ্ৰীযুক্ত জয়চন্দ্ৰ চৌধুৰী প্ৰভৃতিৰ উৎসাহ আৰু অনুগ্ৰহ। এই খিনিতে তেখেতসকললৈও যথাযোগ্য শলাগৰ শৰাই আগবঢ়োৱা হ'ল। ইতি—

কমলা চতুষ্পাঠী	ৰাইজৰ আশীৰ্ব্বাদ
কৈঠালকুছি	ভিখাৰী—
অশোকাষ্টমী, ১৮৪৬	শ্ৰীভবদেব ভাগবতী।

PLEASE HANDLE THE BOOK CAREFULLY

লীলা।

প্ৰথম পৰিচ্ছেদ।

চ'ত মাহ। পানীৰ বৰ আকাল। মানুহে পানী পানী কৰি হাবাথুৰি খাব লগাত পৰিছে। বিল খালবোৰ শুকাই জৰ্জ্জৰীয়া হ'ল। তেওঁ-লোকৰ তাহানিৰ সজীৱ বুকুত নিৰ্জ্জীৱতাৰ পূৰ্ণ ছাঁ পৰিল। এই শোকত শোকাতুৰ বিল খালবোৰৰ গহীন গম্ভীৰ বুকু, সূৰ্য্যদেৱে প্ৰখৰ তাপ স্বৰূপ সুতীক্ষ্ণ তৰোৱাল খনিৰে চিৰা-চিৰ কৰাই সন্তাপৰ বোজাটিৰ ওজন অলপ কমাই দিলে। আচল কথাটি খুলি কবলৈ হলে, যি বিল-খালৰ নিৰ্ম্মল পানীত এদিন নানা শ্ৰেণীৰ মাছবোৰে ৰঙেৰে খেলিছিল, য'ত পদুম, ভেট প্ৰভৃতি নানা তৰহৰ মনমোহা জলজফুলে হিয়া উদঙাই হাঁহিছিল, আকৌ

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

যাৰ সঙ্গনশীল বুকুত নানা সম্প্ৰদায়ৰ মানুহ সমবেত হৈ নিজ নিজ অভিপ্ৰায়বোৰ সাধি আছিল, সেই শান্তি মন্দিৰ বিল খালবোৰো আজি কালৰ কুটিলা গতিত পৰি শুকান আৰু মৃতপ্ৰায় অৱস্থা প্ৰাপ্ত হৈছে। আজি তাত সৰু বৰ অলেখ পাতালভেদী ফট মেলি সিবিলাকৰ বুকু কেইখনি চিৰলা-চিৰালি কৰি তুলিছে।

বিল খালবোৰৰ নিচিনা, সৰু সৰু নদী-নলাবোৰৰ গাৰ ফালেও টান। বিল আৰু সিবিলাকৰ সেই দিগন্ত প্ৰসাৰিত জলৰাশিৰ ভাব নাই। নেমু-টেঙাৰ ৰস যেন নিৰ্ম্মল ফটফটীয়া পানীবোৰো ঘটনাচক্ৰত জোৰ্ৰা আবিলতাৰে কিম্বা এতিয়াৰ পানীত পৰিণত হৈছে। যাৰ বুকু সদায় সুশীতল আছিল, যি চকুত চমক লগা ৰূপালী সজেৰে সজ্জিতা আছিল, সেই নদী আজি অতি তৰঙা আৰু তপত বালি-ধূলিবোৰৰ সাজেৰে সজ্জিত মলিনা আৰু মনমৰা—তাৰ আগৰ উজ্জ্বলতা নাই। যি উদ্যমেৰে নিজৰ জন্মদাতা সাগৰৰ চৰণ দুখনি নতুন নতুন প্ৰবাহেৰে সহাৰষে ধুৱাইছিল, এতিয়া

তাৰ সেই উদ্যম নাই, তেনে হবিষও নাই, আছে কেৱল নানা আপদ বিপদৰ মাজেদি গৈও নিজ কৰিবা বাটৰ বাটৰুৱা হোৱা নামটোহে।

দুপৰীয়া গৰুম'হবোৰে পানী পানী কৰি চট-ফটাই ফুৰাৰ লগাত পৰিছে। কিছুমান গৰুম'হে প্ৰখৰ ৰ'দৰ কোবত তত্ নেপাই দুখ ভাগৰতে গছৰ তলত আশ্ৰয় লৈছে। কেতবোৰ গৰুম'হে আকৌ দৌৰাদৌৰি কৰি কোনোমতে ঘূৰি ঘূৰি এটোপা ঘোলা পানী বিচাৰি উলিয়াইছে আৰু অতি হাবিয়াহেৰে সেইতে হুপি খাই তীব্ৰ তৃষ্ণাৰ শান্তি কৰিছে।

বাটৰ বাটৰুৱাবোৰে টিকা ফটা ৰ'দৰ কোবত তত্ হেৰাই আলিৰ দাতিৰেই গছৰ তলত বহি পৰিল আৰু নানা হা-হুমুনিয়াহ কাঢ়ি হাত মুখৰ ঘাম মচিব ধৰিলে। কোনেও বা অলপ জিৰাই শতাই লৈ লগত যি যা-জলপান আছিল, সেই বোৰেৰে ভোকৰ কলমলনিৰ কোব অলপ দমালে; কোনো কোনোৱে আকৌ বহুদূৰ বাট থকা বাবে দুখ ভাগৰক কাতি কৰি থৈ মৰোঁ-জীওঁ হৈ খোজ

লগে। দুখৰ ওপৰত ়খ পৰাৰ দৰে কোনে-ওবা পকা চপৰাত উজুটি খাই িৰ ালতেই হওক নাইবা ুখে ৰেজাৰতেই হও ভৰিক নানা ৰকমে নিন্দা গৰিহণা কৰিব আৰু লগে গে নিৰীহ খেতিয়কৰ ওপৰতে গালি শপনিৰ মৰণ মাৰিবে।

পানীৰ আকালৰ বাবেই নেকি—লাহে াহে গাওঁ-ভূঁইবোৰত নানা বেমাৰে দেখা দিছেহি। কলেৰা বসন্ত আদি সংক্ৰামক ব্যাধিবোৰৰ কৰাল গ্ৰাসত পৰি আজি বহুত মানুহ অনন্ত শয্যাত শায়িত হৈছে

মানুহবিলাকৰ মনত বৰ ভয়। কোনেও মুকলি মুৰীয়া হৈ নুফুৰে সততে কিবা এটি ভয়ৰ কালিমা হিয়াত অঙ্কিত আছেই।

এইবোৰৰ বাজেও ঠায়ে ঠায়ে গছ-গছনিবোৰ শুকাই জৰি যেন হৈছে। শুকান লতা-পতাবোৰত কিবা স্বৰূপে অলপ বই-বস্তু পৰিলেও শবদৰ নিনাদ বাজি উঠে। শিয়ালে এটিয়ে খুচমুচনি লগালেও ঢৌটিয়ে ৰৌটি হোৱাৰ দৰে বাঘৰ ভয় অন্তৰত সোমায়।

হাবি বনৰিয়ৰবোৰত জুই লাগি ছাইবোৰ আকাশেদি নাচি নাচি আহোঁতে এটি সুন্দৰ দৃশ্য দেখা যায়। কিন্তু দেখা গলে হব কি? আগৰ নিচিনা অকণ শকণ লৰা-ছোৱালীহঁতে সেইবোৰ হাতেৰে খপিয়াই খপিয়াই ধৰি খেলা খেলিবলৈ হেপাহ নকৰে। তেওঁলোকৰ হিয়া আকাশৰ নবীন সূৰ্য্যৰ পোহৰকো বিষাদ ডাৱৰে ঢাকি ধৰি ঘোপমৰা অন্ধকাৰ কৰি তুলিছে। বননিত জুই লাগোতে বাঁহত সোৱাদ লগা পট্ পট্ শবদ হয়, কিন্তু এতিয়া আৰু শবদৰ সেই অমিয়া নাই, এতিয়া সেই শবদেই গগনক প্ৰতিধ্বনিত কৰি হিয়াত যেন কিবা এটি আতঙ্কৰহে সঞ্চাৰ কৰিছে।

সিদিনা মঙ্গলবাৰ। মাজ নিশা। কাৰো ক'তো সাৰ-সহাৰি নাই। কেৱল কেতিয়াবা কেতিয়াবা ঝিলি পোকবোৰে সইঁতৰ প্ৰকৃতিকো সেইবোৰ অস্বাভাবিক মাতৰ সুৰেৰে সেই নিস্তব্ধতাক মাৰ খেদাই অলপ শবদৰ লেশ আনিছে। ইপিনে নিয়তিয়ে "নিওঁ, নিওঁ" বাক্যবাণেৰে কাৰো কাৰো উদ্ভ্ৰান্ত প্ৰাণক পুনাই উদ্ভ্ৰান্ত কৰি তুলিছে।

ঠিক এনে সময়ত গাওঁৰ পূবহাটীৰ এমূৰত থকা লাচিত পণ্ডিতৰ ঘৰত বিষাদৰ অস্ফুট বিননি শুনা গল। আজি আমাৰ পণ্ডিতৰ ওপৰত বিধাতা বিমুখ। আজি তিনিদিন পণ্ডিত শয্যাগত। তেওঁৰ শোৱা পাটীৰ নামনিৰ ওচৰতে এখনি কাঠৰ গছাৰ ওপৰত এটি ধামক্ বিনিক্ কৈ জ্বলিথকা কেৰাচিনৰ চাকি আৰু ভৰিৰ পিৰানত আবেগত অথিৰা এজনি ৰমণী। তেওঁৰ চকুজুৰিৰ পৰা সৰসৰ কৈ বোৱা চকুলো ডুবাৰিয়ে কেতিয়াবা তেওঁৰ শুভ্ৰ শাৰীৰ আচলক, কেতিয়াবা পণ্ডিতৰ শোৱা পাটৰ কৰ্ণভাগক, কেতিয়াবা বা আকৌ ৰমণীৰ ঈষৎ কম্পিত হাত ডুখনিৰ ওপৰেদি বৈ গৈ পণ্ডিতৰ চৰণ ডুখনি ধুৱাইছে। বুজা গল, পণ্ডিতৰ প্ৰাণৰ লগত যাৰ প্ৰাণৰ লগা-ভগা সম্বন্ধ, তেওঁৰ অবৰ্ত্তমানত যাৰ সংসাৰ সাগৰৰ সম্পদ সলিল শুকাই গৈ, সেই অতল জলধি মৰুভূমিত পৰিণত হোৱা আৱশ্যম্ভাৱী, লাচিতৰ জীৱনৰ ইহকাল পৰকালৰ একমাত্ৰ লগৰীয়া সহধৰ্ম্মিণীৰ পৰাণত বাজে আনৰ পৰাণত এনে শোকপূৰ্ণ ভাবে কেতিয়াও ঠাই নেপায়।

এখনেকৰ পিছতেই লাচিতে তেওঁৰ শোৱা পাটীৰ ওচৰতে আমন্-জিমন্কৈ বহি থকা তেওঁৰ কনিষ্ঠ সহোদৰ সন্তৰামৰ মুখৰ পিনে বিবৰ্ণ চকু-জুৰি পেলাই ক্ষীণ স্বৰেৰে মাত লগালে, "ভাই! এটোপা পানী—।" সন্তৰামে ততালিকে পানী অলপমান খুৱাই দিলত, তেওঁৰ শুকান টানি নিয়া জিভাখনি অলপ তিতিল। তেতিয়া তেওঁ এটি হেপাহৰ চাহনিৰে ভায়েক আৰু বৈণীয়েকৰ মুখৰ পিনে একেথৰে চাই ৰ'ল, হঠাৎ তেওঁৰ দুচকুৰ পৰা দুধাৰি চকুলো বাজ হ'ল আৰু তেওঁ কবলৈ ধৰিলে—"ভাই! অভাগাৰ জীৱনৰ আশা-ভৰষা আজি অন্ত হ'ল। হৃদয়ৰ অনন্ত তৃষ্ণা আজি কোনবা উৰি গ'ল। লাবণ্য! মোৰ প্ৰাণৰ লাবণ্য ক'ত?"

সন্তৰাম—"খাটত শুই আছে।"

লাচিত—"আনা, মাতি আনা। জীৱনৰ শেষ মুহূৰ্তত সেই হিয়াৰ মানিকক এবাৰ হেপাহ পলুৱাই চাই লওঁ।"

সন্তৰামে লাবণ্যক কোলাতকৈ আনি শোৱ-

পাটীত বহুৱাই দিলত লাগিতে লাবণ্যৰ গাত হাত বুলাই সন্তৰামক কবলৈ ধৰিলে, "ভাই! পিতৃ হৈ, পিতৃৰ কাম সাধিবৰ সময় নেপালোঁ। লাবণ্যক, মোৰ প্ৰাণৰ পুতুলক, তোমাৰ হাতত অৰ্পণ কৰিলোঁ। মই কেৱল জন্মৰ হেতু, পালনৰ বাবে তুমিহে ইয়াৰ প্ৰকৃত পিতা।"

ইয়াৰ পিছতেই পত্নীৰ পিনে চকুপেলাই কব ধৰিলে, "ভাবিছিলোঁ—তোমাৰ যৌবন নাওখনি সংসাৰ নদীৰ প্ৰবল তৰঙ্গৰ ওপৰেদি পাৰ কৰিবলৈ অভাগাই যথেষ্ট সময় পাব। কিন্তু উপায় কি? সকলো ভগৱানৰ ইচ্ছা। লাবণ্যকে বুকুত বান্ধি ভগবানক ভাবি থাকিবা। ঈশ্বৰে তোমাৰ কল্যাণ কৰিব। উঃ ৰাম, আৰু নোৱাৰিছোঁ— ভ—গ—বা—ন—।" ইয়াকে কৈ আৰু একো কব নোৱাৰিলে। অলপ পৰ নিমাতে থাকিয়ে কামুৰি কাঢ়িলে।

ৰমণী—"মোৰ কল্যাণ! বিধাতা! মোৰ কি কল্যাণ কৰিবি! হৰি! হৰি!!" এই বুলি হিয়া-মুৰ ভুকুৱাই অচেতন হৈ মাটিত পৰি ৰ'ল।

সন্তৰামৰো গিৰ্‌গিৰ্‌কৈ চকুৰ পানী ওলাল। কিন্তু এই বিপদৰ সময়ত ধৈৰ্য্যকে একমাত্ৰ সাৰথি কৰি, সাৰটি ধৰি পণ্ডিতৰ শৰটি তুলসীৰ গুৰিলৈকে আনি উত্তৰ শিথান কৰি থৈ দিলে। তাৰ অলপ পিছতে নানা প্ৰবন্ধেৰে সংজ্ঞাহীনা বোৱেকৰ সংজ্ঞা ঘূৰাই নানা ৰকমে বুজাই-বঢ়াই শৰৰ ওচৰত বহুৱাই থলে। ইপিনে নিজে গাওঁলৈ গৈ মেকা গাওঁবুঢ়াক কাবৌ-কাকুতি কৰি মাতি আনি শৰটিৰ গতি কৰিলে। আকৌ যথাসময়ত প্ৰেতকাৰ্য্য সমাপণ কৰি আঁতালে।

* * *

এদিন দুদিনকৈ মাহৰ শেষ পৰিল। জাকে জাকে বৰষুণ দিব ধৰিলে। নিৰ্জ্জীব প্ৰকৃতিৰ মুখত সজীৱতাৰ মিছিকায়া হাঁহি দেখা গ'ল। পাতসৰা ঠেঙ্গ-ঠেঙ্গীয়া গছবোৰৰ নতুন সেউজীয়া পাত আহি গছবোৰক চকুত লগা ধুনীয়া কৰি তুলিলে। দূৰণিৰ নাহৰ গছবোৰ মঠ যেন দেখা হ'ল। নানা তৰহৰ সুগন্ধি ফুলবোৰ ফুলি প্ৰকৃতি আৰু মলয়া সখিয়েকৰ উদগণিৰ বলত হাহি-জুলি সেৱা

কৰিব ধৰিলে। আমাৰোৰ ঋতুৰাজৰ অভ্যৰ্থনাৰ যোগ্য হ'ল। সেউজীয়া পাতৰ আৰৰ পৰা বসন্ত-দূতী কুলীয়ে "কু-উ, কু-উ" কৰি পঞ্চম তান শুনাই বসন্তৰ গা নচুৱাই দিলে। লগতে বহু বগীয়া আমৰোৰ ডেমকতে নপকি খোৱাৰ অনুপযুক্ত হৈ থকা বাবে বেচাৰাইতৰ গাত কুপিত বায়ুবাস্ত্ৰ নিক্ষেপ কৰি কিছুমান আমক আজীৱন খুনো কৰিলে। বাকীবোৰে জাতীয় প্ৰেমত নিঃস্বাৰ্থ প্ৰেমিক হৈ, "কুলি বাই থাকে মানে নপকোঁ" বুলি দৃঢ় প্ৰতিজ্ঞা কৰিলে। ফল-ফুল প্ৰসৱিণী গছ লতাবোৰে বসন্ত কালোচিত ফল-ফুলবোৰ যোগাবলৈ যো-যা কৰিব ধৰিলে! সুগন্ধি ফুলবোৰৰ মনোমোহা গোন্ধ মলয়াৰ লগত মিলি-জুলি সকলোৰে আনন্দ বঢ়ালে।

গাওঁ-ভূঁইৰ বেমাৰবোৰৰ অন্ত পৰিল। মানুহ কিলাকেও দুখ-শোক পাহৰি আনন্দৰ শুৱলা বাঁহীটি বজাব ধৰিলে।

দ্বিতীয় পৰিচ্ছেদ ।

লক্ষেশ্বৰ পাচিমাৰ মানুহ । এখেতৰ ঘৰ ৰোলাজিত পণ্ডিতৰ নিচেই ওচৰতে । এওঁ জাতিত ব্ৰাহ্মণ । মানুহজন ধৰ্ম্মপৰায়ণ আৰু চৰিত্ৰবান । লৰা-ছোৱালী ৬।৭ টি । সহধৰ্ম্মিণী জনাও সতী, সাধ্বী আৰু পতিব্ৰতা । তেওঁৰ আৰ্থিক অৱস্থা চকুত লগা নহলেও ধাৰ-ঋণ নাই । গাৰ কাপোৰ উখৰি আৰু পেটৰ ভাত মুঠিৰ বাবে কাৰো মুখাপেক্ষী হব নলাগে । ইপিনে সমাজৰো ভূ-ভা ভালদৰে জানে । যি মেলত তেওঁ উপস্থিত হোৱা নাই, সেই মেল কিবা জানিবা বেমেজালিহে । যি কায-কৰমত তেওঁ চকু কৰা নাই, সেই কায-কৰমত অলপ নহয় অলপ হিৰিণ তিৰিবি ঘটেহে । মোটৰ ওপৰত একাষাৰ কথাৰে কবলৈ হলে, সকলোবোৰ কামতে পাৰদৰ্শী হোৱা বাবে গাওঁৰ নিচেই

অকণ অকণ লৰা-ছোৱালীৰ পৰা তিনিমূৰীয়া বুঢ়া-বুঢ়ীলৈকে সকলোৰে মনত তেওঁ গুণৰ মালিক।

তেওঁৰ হাত-ভৰি মোটা, গা আটিল আৰু সুগঠিত। যদিও তেওঁক অলপ ছুটি যেন দেখা যায়, তথাপি তেওঁ এজন নিয়মৰ মানুহ। বয়সে পঞ্চাশক দেও দি গৈছে, তথাপি তেওঁৰ গাত বুঢ়া বয়সৰ অলপো চিন-চাব ফুটি ওলোৱা নাই।

ৰাজহ টটি চেৰাপিই, তেওঁৰ পদূলিৰ সন্মুখত এখনি ফুলনি পোৱা যায়। কওঁতে শুনিছো, ফুলনি খনি পাতিবৰ হেনো ২০।২৫ বছৰ হৈছে। তাৰ ফুল গছবোৰৰ কিছুমান যদিও বহুদিনা, কিছুমান আকৌ নতুনকৈ ৰোৱা যেন দেখা যায়। ফুলনিখনি চহৰৰ ফুলনিৰ দৰে জকমকীয়া আৰু পৰিপাটীকৈ সজোৱা নহলেও, গাৱঁলীয়া ফুলনিবোৰৰ ভিতৰত ভালেই বুলিব লাগে। সুগন্ধি ফুলও নাই বুলিব নোৱাৰি। তৰুৱা কদম আৰু কৰৰিল জুপিৰ ছাঁ ফুলনিৰ কাণতে থকা পুখুৰীটিৰ পানাত পৰে। পুখুৰীটি ফুলনিৰ উত্তৰ ফালে—না সৰু না ডাঙৰ। পুখুৰীটিলৈ যাবলৈ ফুলনিৰ ঠিক মাজেদি এটি নিচেই

দুৰ্ দুৰ্বায়। কিন্তু পৰিষ্কাৰ বাট আছে। সিহঁত পাৰকৰ ৰাজহাঁহ জুৰিবে তাত নানা তৰহৰ খেলা খেলি থাকে। পুখুৰীটোৰ পানী নিৰ্ম্মল আৰু ফট্-ফটীয়া। গৰু মহে দুকি নোপোৱাকৈ জেওৰা দিয়া হৈছে। তাত পুৱা গধূলি নানা শ্ৰেণীৰ মাছে খেলা খেলি থকা দেখিবলৈ পোৱা যায়। পুঠি-মাছবোৰে উচল-পাচলকৈ নাচি বিৰি থকা দেখা পালে, কিছুমান ভাবুকে 'গণ্ডুষ জলমাত্ৰেণ সফৰি ফৰ্ ফৰা-য়তে" কথা আষাৰিও নোকোৱাকৈ নেৰে। মজে মাজে তকৰুৱা কদম আৰু কৰবিৰ ফুলবোৰ বতাহতে ইফালে সিফালে লৰিলে, সিহঁতৰ প্ৰতিবিম্ব দুটিও লৰা দেখা যায়। সাতুৰি নাতুৰি থকা অজলা মাছবোৰে সিহঁতৰ খোৱাবস্তু বুলি লবি থব। ছাঁৰ-পিনে জাকে জাকে দৌৰি যায় আৰু মনৰ হেপাহেৰে খুটিয়াব ধৰে। কিছুমানে আকৌ শত্ৰুৰ জালত পৰা ভয়তে, প্ৰাণৰ মায়া তিয়াগিব নোৱাৰি পলাই পতং মাৰে।

সিদিনা গধূলি, কিজানি সাবে চাৰিটা মান বাজি গৈছেই। সূৰ্য্যদেৱে নিজ কৰ্ত্তব্যৰ মেটমৰা ভাৰ

খনিৰ পৰা অব্যাহতি পোৱাৰ আশাৰে অস্তাচলৰ ফালে খুকিয়াই চাব ধৰিছে। গমনৰ সময়ৰ প্ৰভা-ময় কিৰণে ৰবাবাম আলোকিত কৰিছে। আমাৰ পক্ষেশ্বৰৰ ফুলনিৰ মনমোহা গোন্ধেও বতাহৰ প্ৰকৃত গোসাঁই ভগৱান আদিত্য দেৱৰ বিদায় সময়ৰ অভ্য-ৰ্থনা কৰিবলৈ একান্তমনে আগবাঢ়িছে।

এনেতে এটি যুবতী, ফুলনিৰ আমোদত বলীয়া ভ্ৰমৰীৰ দৰে গুণ্ গুণ্ কৈ গীত গাই ফুলনিৰ ভিতৰ সোমাই গ'ল। তেওঁৰ আগমনত ফুলনিৰ এটি নতুন জেউতি চৰিল।

সৌ পুখুৰীত ৰাজহাঁহ ভুৰিয়ে পানীৰ ওপৰত পৰস্পৰে খেলা খেলি যিমান আনন্দ লভিছে, এওঁও ফুলনিৰ মাজত ফুল সমূহৰ সখিত্বক লাভ কৰি, মনত সিমানেই আনন্দ পালে। তেওঁ সৰু সৰু লতা গোলাপবোৰ গোলাপী গালত লগুৱাই দিলত, ৰাঙলী গাল আৰু গোলাপৰ প্ৰভেদ বুজিব নোৱাৰা হ'ল এখন্তেকৰ পিছত তেওঁ উলাহতে খোপাত এটি গোলাপ আৰু দুকাণত দুটি হৰগৌৰী ফুল পিন্ধিলে আৰু খাল পদুম এটি মুখ মণ্ডলত বুলাব ধৰিলে।

ব   ং ক কি   ,ূমৰ াহি যেন চকুযুগৰ ঘ   ে   ৰে, তেওঁৰে মন্ত্ৰমুগ্ধ ফণীৰ নিচিনা ৰ া'গ   ই থাক   । তিল ফুলহেন অথবা কেতেকীৰ ি   ্চ   াকাটি, গোলাপ হেন ৰাঙ্গলী গাল দুখনি অ'   ৰা য়'   হন ৰঙ্গা ওঠ দুটি চকুত পৰিলে 'ব ি শ্চতু'ৰ হই কোশলক নশলাগি নাৰাৰি। হৰৰ শক যন কপাল খনিত ৰ' কলা দীঘল চুা চাৰ, িয়মিয়া কলা বনুৱা জোয়া সুন্দৰ এ গ া া   ালিৰ গুটি যেন দাত দুপাৰি দেখিলে া হৰ ভাক পিয়াহ টুটে। নিশ্চয়, ক্ৰোধশিখৰত আৰোহণ ৰাৰ বঙা চকুৰ আগতো. নে প্ৰেমময় প্ৰতি াই শম বিৰাজ নকৰাকৈ নেৰে। লাতুকৰ গু   ন ৰঙা হাঃ   ৰিৰ তলাবোৰ, বক্তিম মুখৰ প্ৰাম ঃ, পেজৰ লয়াস লক্ষ্য কৰিলে যিজন এই িশ্বাব না ইক বিভৱৰ অধিকাৰি তেওঁৰ ভাগ্যৰ ভাঙণ কোগাই নোৱাৰি।

অ । ঘণ্টাৰ ওপৰ হ'ল, নীলাকাশত চন্দ্ৰমাই প্ৰভা । ৰাব ধৰে, নৱীনা যুবতীয়ে তেওঁৰ বিশ্ববিমো-হন সৌন্দৰ্য্যৰ আভাৰে ফুলনি খনি জিলিকাই আছে

এনেতে আচম্বিতে এটি যুবা মূৰ্ত্তি তেওঁ চকুত পৰিল। যুবকক চকুৰ আগত পাই যুবতীৰ সৰল অন্তঃকৰণত লাজৰ সলনি আনন্দৰ তৰঙ্গ ভাব বিৰিঙ্গি ওলাল। তেওঁৰ সৰল হৃদয়ত তিৰোতাৰ স্বভাৱ সুলভ ভয়ৰ সঞ্চাৰ নহৈ, নিৰ্ভীকতাৰ শীতল ছাঁ পৰাৰ লগতে, হৃদয়ৰ সৰোবৰত প্ৰেম পদুমৰ কলি ওলোৱা যেন দেখা গ'ল। উলাহতে কিবা এটি হিয়াৰ গুপুত বাসনা ব্যকত হোৱা যেন হ'ল, কিন্তু কিহে তেওঁৰ বিবেকক বাধা দিলে কব নোৱাৰোঁ, তেওঁ তেওঁৰ লাভুকৰ গুটি যেন বস্তা ওঁঠজৰি লাৰিব খুজিও নেলাৰিলে। যুবতীৰ মনৰ হেপাহ উদয়তে অস্ত হ'ল। কিবা এফেৰি কওঁ কওঁ বুলিও কব নোৱাৰিলে।

যুবতীৰ কাৰ্য্যাবলী দেখি যুবকৰে সৈতে যে তেওঁৰ পৰিচয় আছিল তাক বুজিবৰ বাকী নেথাকিল।

যুবক সহৰিষে যুবতীৰ ওচৰ চাপিল আৰু এটি হেপাহৰ চাহনিৰে যুবতীৰ ফালে চাই মিচিকিয়াই হাঁহি, মউসনা মাতেৰে যুবতীক মাত লগালে, "লীলা! অকলে ইয়াত কৰিছা কি? পথৰ পথিকে বাট-

PLEASE HANDLE THE BOOK CAREFULLY

কুৰি বাই দুখে বেজাৰে ঘৰ ললে ।" এনৰ বনুৱাবোৰে যʼৰে কাম-বন তʼতে পেলাই দিহা-দিহি গুছি গʼল। ভগবান সূৰ্য্যদেৱে দিনমানৰ কৰ্ত্তব্য সমাপন কৰি জিৰণি লবৰ মনেৰে অস্তাচলৰ নিৰ্জ্জন গুহাত আশ্ৰয় লয়ে। অইন কি চৰাই চিৰিকতিবোৰেও গোৱালীৰ ভাৰত উভলা হৈ উৰি উৰি বাহ ললে। চোৱাচোন, বিশ্ব জুৰি থকা পোহৰক পৰাজয় কৰি অন্ধকাৰে কেনে একছত্ৰী ৰজা হৈ বহিবৰ যো-যা কৰিছে।

এনেস্থলত তোমাৰ ঘৰলৈ মনত নপৰেনে? বোধহয়, সুগন্ধি ফুলৰ মনমোহা গোন্ধে তোমাক ইয়াত ভুলাই ৰাখিছে। থাকা, থাকা বাক। তোমাৰ লাবণ্যময় দেহখনি ইয়াত যিমান শোভা পাইছে আন ঠাইত কেতিয়াও তেনে শোভা নেপায়। সুৱগাৰ সংযোগতহে সোণ বেছিকৈ জিলিকে। আকৌ ফুল গছবপৰা চিঙি নিয়া মানে ক্ষন্তেকীয়া সুখক আকৌ ক্ষন্তেকীয়া কৰি তোলা মাত্ৰ। এতেকে তোমাক বাধা দি তোমাৰ আনন্দত বিঘিনি জন্মাব নোখোজোঁ" ।

লীলা—"থাকক,—ইয়াৰ [illegible] কিয় কৰিব লাগিছে ? ভেলেঙ্গা পত্ৰৰে জ [illegible] হ'ৰাবা দি কিবা এটা [illegible] হৈৰাইছে মনে নানা কল্পনা-জল্পনা সাজি এই ফুলনিৰ সৌন্দৰ্য্যৰ [illegible] এই হৃদয়ৰ আৰাধ্য মূৰ্ত্তিৰ সৌন্দৰ্য্যক বিজড়াই ভাপিত পৰাণত শান্তি অমৃত ঢালিছিলোঁ। [illegible] স্বৰগ টুকি পোৰাত কোনোবাই নন্দন কাননক [illegible] সামান্য ফুলনিৰ সৌন্দৰ্য্যক [illegible] কৰে নে ? পাছেনো ক'ৰ পৰা ? দখা মনতে ন [illegible] যেন হে লাগিছে। আমি নৱ-[illegible] [illegible] সম্মুখি পাহৰিলেই নে ?"

যুবক—"বাক; আগেয়ে অ[illegible] ! সেইবোৰ পিছতো জানিব পাৰিবা ।"

এইবুলি যুবকে [illegible]। যুবতীও যুবকৰ পাছে পাছে লাহে-ধীৰে খো[illegible] দি [illegible] চাওঁতে চাওঁতে মুহূৰ্ততে [illegible] [illegible] হ'ল ।

তৃতীয় পৰিচ্ছেদ।

—০ঃ*ঃ০—

আজি বহাগ বিহু। ৰাতি পুৱাইছে মাথোন। সকলোৰে মনত অপাৰ আনন্দ। বিষাদ কালিমাৰ কলা ঢাকনি কাৰো হৃদয়ত পৰা নাই। চাৰিও ফালে জয় জয় ময় ময়। বৰ্ষদেৱৰ নব আগমনৰ ফালে সকলোৱে প্ৰতীক্ষা কৰি আছে! লৰা-ছোৱালী, বুঢ়া-বুঢ়ী, ডেকা-ডেকেৰী সকলোৰে মন এই উৎসৱত যোগ দিবলৈ উলহ-মালহ।

দুদিন হ'ল, এগৰাকী সুবিজ্ঞ দৈবজ্ঞই ঘৰে ঘৰে বহি বৰ্ষফল ব্যক্ত কৰি গৈছে। কাৰো গৰ্ভত শনি সোমাইছে, কাকো বা কেতুৱে পাইছে। এজনৰ আকৌ ভাগ্য ভোটাটি বিষাদ ভাৰৰত ডুব যাব। এইবোৰ শুনিব পাই কাৰো কাৰো মনত অলপ ভয়ৰ সঞ্চাৰ হৈছে আৰু সেই ভয়ৰ পৰা অব্যাহতি পোৱাৰ আশাৰে কোনো কোনোৱে গ্ৰহ ৰাজৰ পূজা-পাটল আদি কৰিবলৈ দৃঢ় সঙ্কল্প কৰিছে।

ইদিনে কোনেওবা আজি বিহুৰ দিনা হালধিৰে গাধুব আৰু চামনি এখামোছ খাব পাব বুলি ভাবি নিজে আনন্দ উপভোগ কৰাৰ লগতে আনৰ আগত প্ৰকাশ কৰি আনন্দক মহা আনন্দত পৰিণত কৰিছে। কোনেওবা এজনে কৈ থাকোতেই নিজৰ কিছু সম্বন্ধীয় গাধাবলাৰ কথা মনতে আলতি সিজনৰ আনন্দক নমাই থৈ নিজৰ লগা-ভগা আনন্দক হৃদয় আসনত বহুৱালে।

লাহে লাহে ৰ'দ চাঁকি উঠিল। লগে লগে নতুন বছৰৰ নবজাগৰণৰ ৰোলও কাণত বাজিব ধৰিলে। সকলোৰে মথা হালধিৰে টোপোলা চুৰিয়াত বান্ধি নিজৰ নিজৰ গৰুবোৰ আগকৰি বং মনেৰে বাজ হ'ল।

পাঠক! আমি সিদিনাখন ফুলনিৰ মাজত দেখা পোৱা যুবকেও মনৰ দুখ বেজাৰক কাতি কৰি থৈ নব জাগৰণত যোগ দিলেহি। তেওঁ মনৰ উৎসাহেৰে বিঙ্গিয়াই বিঙ্গিয়াই গাব ধৰিলে,

নতুন উছাহে নব জাগৰণে,
ভ্ৰমিছা মৰতত আজি,

নতুন টঙালি কমৰত বান্ধি
ৰহিছা সুসাজন সাজি।
নতুন ভাবেৰে চকুৰ পতাৰে
ৰখি মিচিকিয়া হাঁহি,
নব বৰষৰ অতি মনোহৰ
বজালা সুললিত বাঁহী।
নতুন তানেৰে সজীৱ প্ৰাণেৰে
গালাহি সুমধুৰ গান ;
নতুন গানত বাজিল কাণত
শান্তিৰ সুশীতল তান।

এই যুৱকেই আমালোকৰ লাচিত পণ্ডিতৰ পুতেক লাবণ্য লাল লহকৰ। এওঁৰ বয়স দুবছৰ পাৰ নৌহওঁতেই পণ্ডিত পৰলোক প্ৰাপ্ত হয়। তেতিয়াৰে পৰা নানা আলই-অথনিত পৰিও মাকে কোনোমতে এওঁক প্ৰতিপালন কৰে। অলপ বুজন হওঁতে নৌহওঁতেই ছয় বছৰ বয়সত নিম্ন-প্ৰাইমাৰী স্কুলত, খুড়াকে সান্তৰামে এওঁৰ নাম লগাই দিয়ে। আৰু চোকা বুদ্ধিৰ বলত দহ বছৰত ভৰি দিওঁতেই এওঁ চতুৰ্থ শ্ৰেণীলৈকে প্ৰমোচন পায়,

কিন্তু দুৰ্ভাগ্যবশতঃ ঠিক এই সময়তেই এওঁ স্বৰ্গগতকৈও ওথ মাতৃৰ মৰমৰ পৰা বঞ্চিত হোৱাত তেওঁৰ পঢ়াৰ পিনে তথৈবচ হ'ল।

এতিয়া লাবণ্য একেবাৰে সহায়হীন। কিন্তু, দদায়েকৰ মৰণ সময়ৰ শেষ বাণীৰ পিনে লক্ষ্য কৰি, বেলেগীয়া খুড়াক সন্তৰামে লাবণ্যৰ দুখত দুখীত হৈ লাবণ্যক তেওঁৰ ঘৰতে প্ৰতি পালন কৰি ৰাখিলে। প্ৰথমতে খুড়াকৰ সতি-সন্ততি কেও নাছিল; লাবণ্যও তেওঁলোকৰ বুকুত সোমাই থাকিব পাৰিছিল। খুড়াকেও "ভ্ৰাতৃ পুত্ৰেণ পুত্ৰবান" বুলি ভাবি অপত্য স্নেহৰ পূৰ্ণাহুতি লাবণ্যৰ ওপৰতে ঢালিছিল। আকৌ ভাবিছিল, "নিঃসন্তান মোৰ লাবণ্যই বংশৰ প্ৰদীপ হ'ল। মোৰ অবিহনে এওঁৱেই কুল পোহৰাই থাকিব।"

কিন্তু যেতিয়া বুঢ়া বয়সত পুত্ৰৰ মুখ দেখা পালে তেতিয়া তেওঁৰ লাবণ্যৰ প্ৰতি চেনেহৰ মাত্ৰা ক্ৰমশঃ কমি আহিল। যাক বংশৰ বন্তি বুলি ভাবি নিপিন্ধিও পিন্ধাইছিল, নেখাইও খুৱাইছিল, সেই লাবণ্যক খুড়াকে মৰম নকৰা হ'ল। নেখালেও বিচাৰ নাই, এফালে গলেও আপত্তি নাই।

লাৱণ্যই এতিয়া সকলো কথা বুজা হৈছে। খুড়াকৰ ব্যৱহাৰৰ পৰিবৰ্ত্তন হোৱা দেখি তেওঁৰ মনত দুখ লাগিব ধৰিলে। পিতৃ অবিহনে পৃথিবীৰ মহাভাব আৰু মাতৃ অবিহনে ভোজনৰ ভাৰ খাৰ কথাটি এতিয়াহে তেওঁৰ গাত যোগ হ'নাই পুৰওৱা যেন পালে। দুখ বেজাৰো লাগিবৰ কথা যি খুড়াক খুড়ীয়েকৰ মৰম কথাৰ মাজত থাকিব পাই, মাক বাপেকৰ মৰণ দুখকো সম্পূৰ্ণ পাহৰি গৈছিল, সেই খুড়াক খুড়ীয়েক এতিয়া তেওঁৰ প্ৰতি নিমৰ-মীয়াল আৰু আওকণীয়া।

কি ঘোৰ পৰিবৰ্ত্তন। যি এদিন চেনেহ পুখুৰীত সাতুৰি-নাদুৰি জীৱনৰ সোণৰ সময় খিনি অতিবাহিত কৰিলে, সি আচম্বিতে অনাদৰৰ গধুৰ বোজা বুকুত বান্ধি কাল কটাবলগীয়া হলে যে দুখবেজাৰৰ গহন বনত চাতকৰ দৰে ইনাব-বিনাব লাগে, তাক এসময়ত সুখ সাগৰৰ পাৰত খেলা কৰা মানুহে হঠাৎ কাঁইটময় খালত পৰি উৱাদিহ নোপোৱা হলেহে সকলোকাই বুজি পাব।

এই সময়ত লাবণ্যৰ দুখ বোজাৰ গধুৰতা কমো-ৱাত ললিতত বাজে আন কেও নাছিল। ললিত, ল বা হঁতৰ ঘৰৰ ওচৰৰে গেৰাকী মানুহ। তেওঁ বৰ দয়ালু। বয়স নি জ'নি ৪০ বছৰৰ ওপৰ হ'ল। তেওঁ হালিথিক সর্ব দেবমন বুলি মানে। বামুণ সজনৰ কচলা ভতি দেখুৱায়। এবকাম পিতৃ কৰম তেওঁৰ ঘৰৰ পৰা প্রায় নুগুছই। লাবণ্যৰ নিঃকিন অবস্থা আৰু সজ চৰিত্ৰৰ পিনে লক্ষ্য কৰি বিশেষকৈ তেওঁ লাবণ্যক নিজৰ বুকুৰ মঙ্গহ যেন দেখে। কিবা অলপ পাৰ বই-বস্তু হাতত পৰিলেও লাবণ্যক এবাৰ নিদিয়াকৈ নেখায়। এটি পত্নী বাধ পাইলেও লাবণ্যক নেমাতাকৈ নেৰে। লাবণ ইও, লৰ কাষৰে পৰা ঘুৰিবলৈ ওলোৱা সময় থিনি প্রায় ললিতৰ ঘৰতে কটাই-ছিল। কেতিয়াবা কেতিয়াবা তেওঁৰ পাঠ্য কিতাপ থনদিয়েক লৈ ললিতৰ ওচৰত বহি ফুটাই ফুটাই মাতোতে, ললিতৰ মুখত মিচিকীয়া হাঁহি দেখা গৈছিল। মোটৰ ওপৰত কবলৈ হ'লে, ললিতৰ বুজনিৰ ফলতে লাবণ্য বুজন হৈছিল।

কিন্তু হায়, কিবা এটি দুখত ললিতৰ মনটো বৰ মৰা। গাওঁৰ মানুহ বিলাকো তেওঁৰ এই দুখত দুখী। পাৰিলে কেজানি এই দুখ গুচালেই হেঁতেন। কিন্তু ই মানুহৰ কাম নহয়। ই ভগবানৰ ইচ্ছা, পূৰ্ব্ব জনমৰ কৰ্ম্মফল।

আচল কথা, ললিতৰ বেটা বোলা বুলিবৰ কেও নাই। কেৱল একেজনী ছোৱালী। লৰা সন্তান পোৱাৰ আশাৰে কত পূজা-পাতল কৰিলে, কত ব্ৰাহ্মণক ভোজান খুৱালে, কিমান ভকতক সেৱা দিলে, কিন্তু একোৰে সুফল নফলিল। ললিত! কৰিবা কি? তোমাৰ আমাৰ ইচ্ছা নহয়। সৰ্ব্বশক্তি মান পৰমাপিতা ইচ্ছাময়ৰ ইচ্ছা।

যি হওক, চন্দ্ৰদেৱৰ আগমনত যেনেকৈ অন্ধকাৰ তেনেই লয় পায়; সংসাৰৰ নানা দুখৰ আওবাটেদি আহি, ললিতে যেতিয়া তেওঁৰ ছোৱালীজনীৰ প্ৰসন্ন বদন দেখা পায়হি, তেওঁৰ সকলো দুখ-ভাগৰ আঁতৰে। মনৰ বেজাৰ বিৰকতি সকলো লয় পায়। লগতে হৃদয় সিংহাসন বিমল অবিমিশ্ৰ সুখে অধিকাৰ কৰেহি।

তেওঁ কিয়—গাওঁৰ আটাইয়ে ছোৱালীজনীৰ মউসনা মাতত উল্লাসিত। মুঠকথা—লীলা সকলোৰে মৰম বেথাৰ লাটিম।

পাঠক! যি জনী যুবতীয়ে সিদিনা গধূলী লক্ষ্যেশ্বৰৰ ফুলনি জিলিকাইছিল, আৰু যাক লাবণ্যই লীলা বুলি সম্বোধিছিল, সেই গৰাকী ছোৱালীয়ে আমাৰ ললিতৰ জীয়েক লীলা।

এওঁৰ পুৰা নাম লীলাবতী। কিন্তু, বেথাতেই হওক, নাইবা মাতিবৰ সুচলতেই হওক সকলোৰে এওঁক লীলা বুলি মাতে। লীলা চালুকীয়াৰে পৰা লাবণ্যৰ প্ৰতি বৰ হালুক। লাবণ্যৰ কোকোচাত উঠিয়ে লীলা ডাঙ্গৰ হ'ল। সৰুকালত তেওঁলোকে "বৰ কইনা" খেলা খেলি অপাৰ আনন্দ লভিছিল। কেতিয়াবা কেতিয়াবা লাবণ্যই কিতাপ পঢ়িব ধৰিলে লীলাই "মইও পঢ়োঁ পঢ়োঁ বুলি" ওচৰত বহিছিল গৈ। লাবণ্যই ও মুখে মুখে তেওঁক ক, খ, শিকাইছিল।" পণ্ডিত সকলে কয়,—

"উশনা বেদ যচ্ছাস্ত্ৰং যচ্ছ বেদ বৃহস্পতিঃ।
স্বভাবেনৈব তচ্ছাস্ত্ৰং স্ত্ৰীবুদ্ধৌ সুপ্ৰতিষ্ঠিতম্॥"

এনে স্থূলত কুশৰ আগৰ নিচিনা তীক্ষ্ণ বুদ্ধিমতী লীলাৰ মুখে মুখে বৰ্ণাবলী শিকোতে বেছি সময় নেলাগিল। পঢ়াৰ বাবে তেওঁৰ তেনে আগ্ৰহ দেখি লাবণ্যই, নিতৌ ভাটিবেলা তেওঁক শিকাব ধৰিলে। অলপ কেইদিন মানৰ ভিতৰতে তেওঁৰ বৰ্ণ পৰিচয় হ'ল। আৰু এবছৰ মানৰ ভিতৰতে ৰুক্মিনী হৰণ খনি তেওঁ মুখস্থ কৰি পেলালে। এনেকৈ লাহে লাহে ইটোৰ সিটোৰ প্ৰতি মৰমৰ মাত্ৰা বাঢ়িব ধৰিলে।

* * *

সেইবোৰ যি হওক, নব বৰষৰ উলহ-মালহতকৈ আমাৰ লীলাবতীৰ উচল-পাচল একলা বেছি। আকাশত কাউৰীৰ 'কা' 'কা' মাত শুনা মাত্ৰকেই তেওঁ আজি নিদ্ৰাদেবীৰ শান্তিময় কোলাৰ পৰা উঠি নিজৰ কৰ্ত্তব্য কামত হাত দিলে। আৰু পুৱাৰ সূৰুযৰ ৰঙালী কিৰণে ধৰাধামত বিয়পিবৰ উপক্ৰম কৰোঁতে নকৰোতেই চুচুক্ চামাক্কৈ ঘৰ-চোঁতালত গোবৰ-মাটি দিলে, পিৰালি- মজিয়া নিকাই অঁতালে।

তাৰ পাছত ৰহ্‌ৰহীয়া আম ডালিৰ গুৰিলৈকে গৈ কেটামান অকণ অকণ আম, কেডোখৰমান হালধি, গোটাচেৰেক সৰু বেঙেনা আৰু এটি তহলীয়া লাউ আনি তুলসীৰ গুৰিত থৈ দিলে।

আগতে কোৱা হৈছে, যে ললিতৰ বেটা-পো বুলিবৰ কেও নাই, তেওঁৰ আপোন বুলিবৰ কেৱল লীলা। গতিকে মথা হালধি বটাৰে পৰা লাউ বেঙেনাৰ মালা দুধাৰি গাথালৈকে সকলো খিনি কাম লীলাৰ ভাগতে পৰিল। লীলা কোনো কামতে পছহুহকা ৰিধৰ ছোৱালী নাছিল। গতিকে সকলো খিনি কাম পৰি-পাটীকৈ সমাপন কৰাত লীলাৰ সৰহ সময় নেলাগিল।

ইপিনে মাক উঠিল আৰু লীলাৰ নিপুণতাক বাৰম্বাৰ সলাগিৰ ধৰিলে।

লাহে লাহে দুপৰ হৈ আহিল। আমাৰ লীলা-বতীৰো আনন্দৰ ভৰ দুপৰীয়া হল। একে লীলা আনন্দত উতলা তাতে আজি আকৌ ৰঙালী বিহু, লীলাক আৰু পায় কোনে? তেওঁ যথা নিয়মে গা ধুই আহি লাউ ফুল হেন বগা, পাৰিত সুন্দৰ

ৰঙা ফুল থকা বিহা মেখেলা যোৰা পিন্ধি গাওঁলৈ ওলাল আৰু গাওঁৰ মান্যবন্ত লোক সকলক সেৱা-সন্মান কৰি আঁতাই মাক পিতাকক বিহুৰ যোগ্য সেৱা-শুশ্রূষা কৰিলেহি। পিছত লগৰীয়া সখি সকলৰ গোসাই ঘৰত সোমাই নাম গালে। নামৰ অন্ত পৰিলত সকলোৱে ঘৰা-ঘৰি গুছি গল। আমাৰ লীলাৱতীও ৰৰ ঘৰত সোমাই সোঁ হাতৰ কাৰবাৰ খিনি সমাধা কৰিলে।

এনে উৎসব-আনন্দতে ৰঙালী বিহুৱে মেলানি মাগিলে।

চতুৰ্থ পৰিচ্ছেদ ।

—:o:—

বহাগৰ প্ৰায় শেষ । নৈ বিলবোৰ লাহে লাহে ভৰি আহিব ধৰিলে । শুকান বাট-পথবোৰ বোকা পানীৰে ভৰ পুৰ হ'ল । লগতে জোক-মহ প্ৰভৃতি নানা কীট-পতঙ্গ আহি পৰাণীবোৰক আহুকালত পেলালে । ঋতুৰাজ বসন্তেও মেলানি মাগিবৰ বাবে যো-যা কৰি, ৰুদ্ৰৰূপী গ্ৰীষ্মকালক বিড়িয়াই বিড়িয়াই মাতিব লাগিছে ।

আমাৰ লীলাৱতীও পঞ্চদশ বসন্তৰ কোলাৰ পৰা উঠি ষোড়শী যুৱতী বুলি চিনাকি দিবলৈ আগ-বাঢ়িলে এতিয়া তেওঁৰ জীৱনৰ পূৰ্ণ বসন্ত কাল সমাগত । কুমুদ বান্ধৱ ভগৱান চন্দ্ৰদেৱৰ আবিৰ্ভা-ৱত কেটফুলবোৰ প্ৰস্ফুটিত হোৱাৰ দৰে জীৱনৰ বসন্ত কাল উপস্থিত হোৱাত, এওঁৰও যৌবন ফুলটি সম্পূৰ্ণৰূপে প্ৰস্ফুটিত হৈছে । আৰু তাৰ ফলত নানা ঠাইৰ পৰা লীলাৱতীক ধৰিবলৈ জাকে জাকে মানুহ আহিব ধৰিলে ।

কিন্তু বাপেকে হলে কতো "হুঁ" কৰা নাই। তেওঁৰ মনৰ ভাৱ তেওঁৰ একেটি হিয়াৰ পুতলি লীলাক তেওঁৰ মনৰ জোখাই ভাল এঠাইত গতাব পাৰিলেহে কন্যাদায়ৰ পৰা ৰক্ষা পোৱাৰ লগতে মনৰ শান্তিও ৰক্ষা হয়।

কামেশ্বৰৰ ঘৰ কৈহাটীত। কৈহাটী লীলাহঁতৰ ঘৰৰ পৰা ৫।৬ মাইল মান আতৰত। তেওঁলোকৰ ঘৰখন ধনে-জনে, মানে-দানে, বেহা-বেপাৰে গাওঁৰ ভিতৰত সবাতকৈ আগবঢ়া। তেওঁৰ সুমলীয়া পুতেক কমলেশ্বৰে এইবাৰ প্ৰবেশিকা পৰীক্ষা দি ঘৰতে আছে। কমলেশ্বৰ সজ স্বভাৱৰ লৰা। তেওঁৰ ঘৰত যদিও সকলো বস্তু উভৈনদী, আকৌ যদিও তেওঁ ইচ্ছা কৰিলে বিলাস সবোবৰত হেলাৰঙ্গে সাতুৰি থাকিব পাৰে, তথাপি তেওঁ তেনে কৰিব নোখোজে। সাধাৰণতঃ আঠুমুৰীয়া অথচ বগা এখনি চুৰীয়া, কম দামৰ এটি কোট আৰু ৰ'দ বৰষুণৰ পৰা আত্ম ৰক্ষা কৰিবলৈ এটি সাধৰণ ছাতাই তেওঁৰ পোছাক। ইয়াকে পিন্ধিয়েই তেওঁ সন্তুষ্ট। কেতিয়াবা কেতিয়াবা কিছুমান ভেম মাৰি ফুৰা ছাত্ৰে তেওঁক কিৰ্পিণ বুলি

নাম কু উপাধিৰে ভূষিত কৰিলেও, গুণীৰ মোল বুজা সদাশয় সকলে তেওঁক সদায় বখানে।

সিবোৰ যি তওঁক, কমলেশ্বৰৰ বাবেও অনেক কন্যাৰ খবৰ আহিছে। কিন্তু বাপেকে অলপ পচিমীয় সভ্যতাৰ গোন্ধ পোৱা বাবেই নেকি আগতে প্ৰতিজ্ঞা জাল পাতি বহিছে, যে তেওঁৰ সুমলীয়া সন্তান কমলৰ বাবে বুৰন-কাটোনত নিপুনা হোৱাৰ লগতে ৰূপে গুণে ধন্যা ছোৱালী এজনী নিমিলাই নেৰিব। অলপ লিখা-পঢ়া শিকি ক, ম, চিনি পোৱা ছোৱালী মিলিলেতো কথাই নাই।

লীলাৰ ৰূপ গুণৰ কথা কাণত পৰিলত, কামেশ্বৰে নানা ভাব চেষ্টিৰে ললিতক ভেটিবলৈ বুলি লীলাইঁতৰ ঘৰত ঢোল-দগৰে উপস্থিত হ'লহি। আৰু অহা ফেটতে বিয়াখনি পাতিবৰ বাবে ললিতক উদগাই দিলে।

লাহে লাহে ললিতৰো মন লৰিল। তেওঁ ভাবিলে আনক দিবলগা জনক দিব লাগিবই দুদিনৰ হে আগপাছ। তেনে অৱস্থাত পলম কৰাৰ নো লাভ কি?

তাৰ উপৰিও এনে ভৰা সতকাই নোৰা দিন। অথচ মানুহ ঘৰো কুটুম্বৰ যোগাৰ। ইফালে লীলা-অ ইটি ৰূপ গুণত, স্বভাৱ চৰিত্ৰত আৰু বুৰন-কাটো-নত যেনে নিৰ্ম্মলা কমল বোপাও তেনে মলি নোহোৱা! এনে স্থলত উভয়কে বিবাহ বন্ধনত আবদ্ধ কৰিলে যে বিয়াখনি সোণাত সুৰগা ৰ ৰ চিনা হব, তাক মনতে আলচি ললিত পৰম আনন্দিত। এইদৰে গুনি গাথি চাই জেঠতে বিয়াখন পাতিবলৈ ৰাজি হ'ল।

লীলাৰ বিয়াখন সোনকালে পাতিলে লবঙ্গও পৰম আহ্লাদিতা হয়। লীলাৰ সখিয়েক লবঙ্গলতা বৰ ধেমেলীয়া স্বভাৱৰ। লবঙ্গৰ হৃদয় বীণত বিষাদৰ বাজনা বজা বুলি ভূলে চুকেও কোনেও কব নোৱাৰে। তেওঁৰ প্ৰফুল্ল মুখ খনি সদায় হাঁহিৰে ভৰা বাবে নেকি গাওঁৰ আধাখিনি মাইকী মানুহে তেওঁক হাঁহিচম্পা বুলিও মাতে। সিবোৰ যি হওক, শকুন্তলা আৰু প্ৰিয়ম্বদাৰ প্ৰাণ মৰমৰ যি ধাৰি হাৰেৰে বন্ধা, আমাৰ লীলা লবঙ্গৰ প্ৰাণ দুখনিও তেনে জকমকোৱা অমূল্য ৰত্ন খচিত হাৰেৰেই বান্ধ খোৱা।

সিদিনা সোমবাৰ, বাতিপুৱা। সূৰ্য্যদেৱে মৰ্ত্ত্য-বাসীক দেখা দিবলৈ যাত্ৰাকৰা বাবেই হবলা পূব আকাশত পকা অমিতাৰ দৰে সেন্দুৰীয়া ৰং ধৰিলে। আমাৰ লীলাৱতীও সকলো গৃহ কৰ্ম্ম সমাপন কৰি লক্ষ্যেশ্বৰৰ পদূলিত ওলাল। কিবা থন ভাবি গুণি তলমুৰকৈ গৈ থকা বাবেই নেকি বিন্দু বিন্দু নিয়ৰ লগা ধূনীয়া তলসৰা বকুল ফুল বোৰ তেওঁৰ চকুত পৰিল। নিমিষতে, তেওঁৰ কোমল প্ৰাণটি ফুলৰ পিনে আকৃষ্ট হলত, বহি বহি ফুলবোৰ বুটলিব ধৰিলে। এটি দুটিকৈ বহুত ফুল তেওঁৰ কোছত উঠিল। উপযুক্ত আসন লাভ কৰিয়েই নেকি কেটামান ফুলে তেওঁৰ কুসুম যেন কোমল বুকুক আৱৰি থকা বগা কাপোৰ থনিক সাবটি ধৰিলে!

এনেতে লবঙ্গলতা বাসন্তীৰে সৈতে আহি লীলাৰ পিছৰ পিনে ঠিয় দি মাত লগালে, "সখি! মালা ধাৰি সুন্দৰকৈ গাঁথিবা। এয়ে "কমল" ভোমো-ৰাৰ আগত গুপুতভে তোমাৰ সৰল সম্ভাষণ জনাব।"

PLEASE HANDLE THE BOOK CAREFULLY

লীলা--"সখি ! তোমাৰ ইচ্ছা আছে যদি জনোৱা গৈ, ঠাট্টা কিয় কৰা ? সখি ! কোৱাচোন, কুৰলীৰে জুকলি জুপিুৰ হোৱা কমলিনীৰ প্ৰাণত কিবা সুখ সম্পদ থাকেনে ? তুমি প্ৰফুল্ল চৌধুৰী বোলা মধ্যাহ্ন সূৰ্যৰ আদৰ সম্ভাষণ পোৱা প্ৰফুল্ল কমলিনী। তোমাৰ প্ৰাণ সুখ সৌৰভেৰে আমোলমোল নহবৰ বা কাৰণ কি ?"

লবঙ্গ—থোৱা ! থোৱা ! আৰু দুদিনৰ পাছত বৰ মানুহৰ চেনেহৰ ঘৰিণী হবাগৈ। তেমতে লবঙ্গক মাতানে নেমাতা। সখি! লবঙ্গক নেভাবিবা। লবঙ্গ লবঙ্গহে, ঠগাব খুজিলেও ঠগ নেখায়। বাৰু, মই এতিয়া যাও, তোমাৰ আইয়ে চেনেহী বাইক ধান বানিবলৈ মাতিব কৈছিল। আহিলো, এতিয়া।" এই বুলি লবঙ্গ চেনেহীৰ ঘৰৰ পিনে যাব ধৰিলে। বাসন্তীও লবঙ্গৰ পাছ ললে। যোৱাৰ সময়ত লবঙ্গই লীলাৰ মুখৰ পিনে চাই হাঁহি হাঁহি,

"বকুল বন্দুলি আনি তুলি তুলি,
গাথি মালা সযতনে !

পুষ্প উপহাৰে ক্ষুব্ধ আতমাৰ
প্ৰদানিবা প্ৰাণ ধনে।"

এই গীতটো গাই গল। লবঙ্গইঁত যোৱাৰ পিছতেই, লীলাও কিবা খন ভাবি ভাবি যাও নেযাওকৈ ঘৰৰ পিনে খোজ ললে।

পঞ্চম পৰিচ্ছেদ।

সিদিনাৰেই আবেলিৰ কথা। বেলা এপৰ মান আছে, লাবন্যই, সন্তৰামে কৰিবলৈ কোৱা পথাৰৰ কাম থিনি কৰি আঁ...ই, ভৰি-হাত ধুই তেওঁৰ নিমিত্তে সাজি থোৱা ভাত কেইটি পেটত লৈ এহোপা ধপাত হুপি ললে। তাৰ পাছত অকলৈ মৰা-মুৱা হৈ ঘৰত থাকিব ভাল নলগাত গাওঁ ফুৰিবলৈ ওলাল। ফুৰি ফুৰি শেষত জানিবা ললিতৰ ঘৰত উপস্থিত হলহি। ললিত তেতিয়া ঘৰত নাছিল। কিবা জৰুৰি সকামত ৰাতিপুৱাই

উঠি তেওঁ কেনিবা গৈছে। ইপিনে লীলাৰ মাকেও লীলাক ঘৰতে থাকিব কৈ, "গঙ্গাবো যাত্ৰা মাহীবো বাৰ্ত্তা" লোৱাৰ দৰে কিবা অলপমান সকাম পূৰাই অহাৰ লগতে এচালি বড়িয়াকৈ তামোল খাই আহিবৰ মনেৰে লবঙ্গৰ মাকৰ ওচৰ চাপিল। বহুত সময় হ'ল, কিবা কথাক কথাই তেওঁ ঘৰৰ পিনে উভতিব পাহৰিছেই।

লীলা আনালগা ধুপৰদৰে অগত্যা ঘৰতে থাকিবৰ বাধ্য হ'ল। এনেই বহি থকাতকৈ সোৰাতিপুৰাই বুটলি অনা বকুল ফুল কেইটিৰ সদ্ব্যৱহাৰ কৰিবৰ মনেৰে চোঁতালত বহি তাৰেই এধাৰি মালা গাথিব ধৰিলে। মালা ধাৰি গাথা প্ৰায় হৈছেই, এনেতে লাবন্য আহি হঠাৎ মাত লগালে, "কিহে! মালা ধাৰি কাৰ নিমিত্তে?"

লীলা—দেখা পাবলৈ যেখোন দেৱৰ দুৰ্ল্লভ হ'ল। (অলপ হাঁহি) মোৰ ঘতনত বৰ্দ্ধিতহোৱা পাৰ চৰাই জোৰৰ বাবে।

লাবন্য—কি ?

লীলা—সচাঁ কথা ? গ'ল নিশা পোৱালীটিক চেলাই কামুৰি মাৰাৰ পৰা সিহঁতলৈ মোৰ বৰ বেথা লাগিছে। হায় ! সকলোৰে অন্তৰত সমান শোক তাপ। নহলেনো আজি পৈৰাটিয়ে এবাৰো "লাক্‌পা কুৰ কুৰ্" কৈ নাচি নাচি মুফুৰে কিয় ?

লাবন্য—মিছা কথা। সামান্য পাৰ এজোৰৰ নিমিত্তে ইমান আয়াস, ইমান যতনলৈ এনে ধূণীয়া মালা গাথিবলৈ তোমাৰ প্ৰাণ উৎসুক বুলি মোৰ মনে নধৰে। কোৱাচোন ! মোৰে শপত কোৱা। এনে প্ৰীতিৰ চানেকীয়ে কাৰ হিয়া পোহৰাব ?

লীলা—মোৰ যিজন প্ৰিয়, তেওঁৰ।

লাবন্য—সচাঁ কথা ! কমলৰ কোমল হিয়া।

লীলা—স্বপ্নৰ অগোচৰ।

লাবন্য—স্বপ্নৰ অগোচৰ ! কেতিয়াবা কেতি-য়াবা স্বপ্নৰ অগোচৰো চক্ষুৰ গোচৰ হয়।

লীলা—কাৰও কাৰও হয় সচাঁ-কিন্তু অভাগি-নীৰ ইটো জীৱনত নহব।

লাবন্য—তেন্তে ?

লীলা—তেন্তে কি? মই কাৰ বাবে প্ৰাণ দিবলৈ সাজু?

লাবন্য—কব নোৱাৰো। অথবা পাৰিলেও কবলৈ সাহ নাই।

লীলা—সময়ত হব, আৰু দুদিন পিছত, জীৱনৰ সন্ধি ক্ষণত, যেতিয়া বিয়াই বজ্ৰপাতত পৰিণত হব; তেতিয়া সম্পূৰ্ণ সাহ ওচৰ চাপিব।

লাবন্য—লীলা! স চাকৈয়ে তুমি মোক প্ৰাণতকৈ ভাল পোৱানে কোৱাচোন।

লীলা—হিয়া ফালি দেখুৱাব পাৰিলে বুজিলাহেতেন।

লাবন্য—তেন্তে, মই যি কৰিব কম, তাক বিনা বিচাৰে কৰিবলৈ সাজু আছানে?

লীলা—শতবাৰ।

লাবন্য—যদি তাত প্ৰাণৰ সংশয় থাকে?

লীলা—ক্ষতি নাই।

লাবন্য—বাৰু, এতিয়ালৈ যাও; খুড়াৰ শপনি মোৰ অসহ্য বেদনা।

ইয়াকে কৈ লাবন্য ঘৰৰ পিনে উভতিল। লীলাইও মালাধাৰি গাথি তেওঁৰ হাতনি বাকচটিত ভৰাই থৈ তেওঁলোকৰ চোঁতালখনি সাৰিব ধৰিলে। বেলি মাৰ গ'ল, লাহে লাহে সন্ধিয়া দেখা দিলেহি।

* * * *

সময়ৰ গতি নিক্ষিপ্ত কড়াৰ নিচিনা। এদিন দুদিনকৈ আজি জেঠৰ এপষ অতীত হ'ল। ললিতে এগৰাকী সুবিজ্ঞ দৈবজ্ঞৰ হতুৱাই বিবাহৰ দিন নিৰ্দ্ধাৰিত কৰিলে। দিন হ'ল জেঠৰ ২৫ তাৰিখ শুক্লা দ্বিতীয়াৰ দিনাখন।

বিয়ালৈকে পাচ ছয় দিন মান থকাৰ পৰাই ললিতৰ গাত তত নহোৱা হ'ল। কেনেকৈ বিয়া খনি সমাৰোহেৰে অভিবাহিত হয়, তাৰ বাবেই তেওঁ মৰি-মৰজাহ্ দি খাটিব লাগিছে। মাছ গাখীৰৰ জৰা মাৰিলে। বিয়াৰ কিবা-কিবি বই-বস্তু ঘৰত জমা কৰিলে।

লীলাইঁতৰ ঘৰত আনন্দৰ বোল শুনা গল। দূৰণিৰ মিতিৰ কুটুমবোৰে লীলাৰ বিয়া চাবলৈ উচল-পাচল উলহ-মালহকৈ আহিল। সকলোৰে

মুখৰ পৰা “লীলাৰ বিয়া আনন্দে নধৰে হিয়া” ইত্যাদি জয় জয়াকাৰ বানী ওলাই চাৰিও ফাল খলক লগাই দিলে। আয়তী সকলৰ গীত জোকাৰে আমনি লগোৱাৰ উপক্রম কৰিলে।

কিন্তু এই সুখৰ নিজৰাত বিষাদৰ জাঁজি বজিল। পিছ দিনা ধন ৰাতি-পুৱালত শুনা গল, লীলা হেনো নিৰুদ্দেশ। “কলৈ গল, কি কৰিলে, শতুৰৰ বুকুজুৰ পৰিল” ইত্যাদি বিষাদময় কথাই সকলোৰে কাণ ভেদিলে। বিয়াৰ আনন্দময় বোল তেনেই মাৰ গৈ বিষাদৰ বিননি বাজি উঠিল। ললিতৰ মনৰ হেপাহ মনতে লয় হ’ল; সকলো আশা-ভৰষা উদয়তে অস্ত গ’ল। মাকৰ মূৰত আকাশী স্বৰগ ভাগি পৰিল। যাক আজি ষোল বছৰে বুকুত বান্ধি ডাঙৰ-দীঘল কৰিছিল, সেই হিয়াৰ মণি আজি নিৰুদ্দেশ। ইয়াত কৈ আৰু কিবা দুখ বিষাদৰ কথা আছেনে ?

অলপ এখন্তেকৰ পিছতে শুনা গল, লাবন্যও হেনো ঘৰত নাই। তেতিয়া আৰু বুজিবৰ বাকী নেথাকিল। নানা ভাবুকে নানা কথা ভাবিলে।

গাওঁৰ গাভৰু সকলৰ ফুচ্ ফুচনি মেল শুনা গ'ল। সেই মেলৰ মাজে মাজে খিল-খিলনি হাঁহিৰ ধাৰ বৈ সেই মেলক আকৌ জাগৃত কৰি তুলিলে। সেই বোৰ দেখি শুনি আকৌ কিছুমান তিৰোতাই কৰলৈ ধৰিলে, "তহঁতে কি হাঁহিছ, কাণুবোৰ শুনিলে গাত কাইটে বিন্ধা যেন লাগে। গা-মূৰ পিত্ পিতাই আছে, ছোৱালী এপাতৰে কাণু থন চোৱা। আমি বোলো ভাল, ভাল, পিছত ভালেই হ'ল যমকাল। এই বোৰ কুলৰ কলঙ্কিণী"। এই দৰে গাওঁ খনত কত যে সমালোচনা হৈ গল আৰু হব ধৰিলে তাৰ ইয়ত্তা নাই।

ষষ্ঠ পৰিচ্ছেদ।

—●—

অমানিশা। ধৰাধাম তিমিৰাচ্ছন্ন। কতো পোহৰৰ লেশ মাত্রও নাই। যি প্রকৃতি-আইক ভগৱান সূৰ্য্যদেৱে তেওঁৰ প্রভাময় মুখখনি দেখুৱাই

কপালী সাজেৰে সজাই তুলিছিল, সেই প্ৰকৃতি আইৰ মলিন বেশ-ভূষা দেখি, উত্থানৰ লগত যে পতন অথবা সুখৰ লগত যে দুখ আছে; মানুহে তাৰ ভু ভালদৰে পাইছে।

জগত নিতাল। কাৰো কতো সাৰ-সহাৰি নাই। দিনত যিবোৰ পৰাণীৰ পে-পে চে-চে শবদত প্ৰকৃতিৰ কাণ-তালি লাগিছিল, সেই বোৰ পৰাণীয়েও নিদ্ৰাদেবীৰ শান্তিময় কোলাত সোমাই নীৰৱ হৈছে।

এনে সুখৰ নিজৰা নিদ্ৰাদেবীকো পাহৰিব পৰা যে মানুহ নাই এনে নহয়। "ঘৰে প্ৰতি ঘৰিণী আৰু থালে প্ৰতি জখিণী" থকাৰ দৰে কিছুমান নৰ পিশাচে টোপনিকো জলাঞ্জলি দি স্বাৰ্থান্ধ হৈ আনৰ অনিষ্ট সাধিবৰ বাবে লাগি পৰি যো-যা কৰিব লাগিছে। কোনো কোনো নৰাধমে আকৌ সেই পৈশাচিক কামত কৃতিত্ব লভি নিজক নিজে ধন্যবাদৰ শৰাই লব লাগিছে। চিত্ৰগুপ্তৰ বোকৰ-খতিয়ানত সিহঁতৰ অমানুষিক গৰ্হিত কৰ্ম্মৰ হিচাব

যে জল্ জল্ পট্ পট্ হৈ উঠিল, তাৰ কালে এফেৰিও ভ্ৰূভঙ্গই নাই।

বাজত কেৱল বাঘ ঘোঙৰ ভীষণ গোজৰণি, শিয়াল শিয়ালীৰ ‘হোৱা, হোৱা, আৰু কাল ডাকিণী ফেচাঁৰ নঁও, নিঁও’ শবদ শুনা গৈছে।

সৰু সৰু লৰা-ছোৱালীবোৰে সাৰ পাই মাকৰ বুকুতে সেইবোৰ শুনিব পাই; সেই ভাজে কাঁহ পৰি জীন গ’ল। ইফালে পাতল টোপনিৰ বুঢ়া-বুঢ়ীবোৰৰ টোপনি ভাঙ্গিলত ঘনাই ঘনাই “ৰাম, হৰি” চিন্তিব ধৰিলে। তাৰ উপৰিও অলপ ধতুৱা ডেকা গাভৰু সকলৰ হিয়া কাননত ভয়সিংহ প্ৰবেশ কৰাত দেহৰক্ষিণী নিদ্ৰা দেবী পলাই পতং মাৰিলে।

এনে কুক্ষণত সৌ অটব্য অৰণ্যৰ প্ৰান্তৰত এটি সৰলা অবলাই আবেগতে হিয়ামূৰ ভুকুৰাই হুক্হুক্ কৰি কান্দিব লাগিছে। তেওঁ সকৰুণ স্বৰেৰে অকলে অকলে কব ধৰিছে, “হে পুৰুষ! তোমাত বিশ্বাস নাই। তুমি নিজ স্বাৰ্থ সিদ্ধিৰ বাবে আনৰ প্ৰাণ লবলৈও কুণ্ঠিত নোহোৱা। যিজনে জগতৰ আন সুখ সম্পদক সমূলি ভূলি তোমাতেই মন প্ৰাণ

সপি দিছে, তেনে জনৰ প্ৰতিও তুমি এনে নিৰ্দ্দয়। হায়, তুমি নাৰী বধৰ দাযীত্ব থিনিও তেনেই ভূলি গলা।” এই কথা কেঁঘাৰি কোৱাৰ পাছতেই অলপ এখন্তেকৰ নিমিত্তে যুবতী নিৰব হ'ল। কিন্তু পাছৰ মুহূৰ্ত্ততেই তেওঁ সেই নিৰৱৰ নি” টিক নষ্ট কৰিলে। তেওঁ দুনাই আপোনা-আপুনি কব ধৰিলে, “হায়, মোৰ কি মতিভ্ৰম। এই খিনি-তেই, এই সামান্য বিপদতেই, উতলা হৈ সোণক কাচত পৰিণত কৰিলোঁ, অমৃতক বিষ বুলি ভাবিলো” (অলপ বৈ); “তেনে কেতিয়াও হব নোৱাৰে। কাৰ নিমিত্তে কোন অভাগিনীৰ বাবে চেনেহী জনমভূমি পৰিত্যাগ কৰি নিৰ্জ্জন বননিত আশ্ৰয় ললে? অকল মোৰ নিমিত্তেই নহয়নে? যদি সেয়ে হয়, তেন্তে শৰতৰ লাহৰি চন্দ্ৰমাৰ শীতল পোহৰ; মোৰ মনত বিদ্যুৎমালাৰ জিৰবিৰ-নিত পৰিণত কিয় হ'ল? যদি প্ৰকৃত মানবী হওঁ, সেই আত্মাৰ লগা-ভগা ছবি খনিত কেতিয়াও কলঙ্ক কালিমা নেপেলাম, কোনেও পেলাব খুজিলেও প্ৰাণে সহ্য নকৰিব। উঃ ভগবান! মোৰ নিমিত্তে,

নাৰকিনীৰ নিমিত্তে, তেওঁৰ এনে দুৰ্গতি, এনে যন্ত্ৰণা ! পৰম পিতা ! যথেষ্ট নিকাৰ ভুঞ্জালা। ইমানতো সন্তুষ্ট নহৈ, সেই হিয়াৰ মানিকক আত-ৰাই পাপিনীক মনিহাৰা সৰ্পিনীৰ দৰে কৰিব খোজা নেকি ? বাৰু, ইচ্ছা ময় ! তোমাৰ ইচ্ছা পূৰ্ণ হওঁক ।”

যুৱতী নিৰৱ হৈছে মাথোন এনেতে ওচৰৰ গছ এডালৰ ডালৰ পৰা অহা, “বৌ কাকা ক'ত ? বৌ ! কাকা ক'ত ?” শবদ দুটি শুনি আকৌ তেওঁৰ হিয়াত শেল পৰা যেন হ'ল। তেওঁ ধাকুবি ধাকুবি কান্দিব ধৰিলে, নিশ্চয় তেওঁ অতীতৰ ভাবনা ভাবি ইমান বিহ্বলা। হিংস্ৰ জন্তুৰ ভীষণ গুঞ্জৰণিয়েও তেওঁৰ আবেগক দমাব পৰা নাই। গেজেপনি হাবিৰ মাজত অমানিশাৰ এন্ধাৰও আজি তেওঁৰ মনত নগনা ।

একে অন্ধকাৰ ৰাতি, তাতে আকৌ বনৰ মাজ। এনে সময়ত তেওঁৰ দুখত দুখী হবলৈ কেও নাই। কিন্তু প্ৰকৃতি আইয়ে নিৰাশ্ৰয়া অবলাৰ দুখ সহিব নোৱাৰি, নিয়ৰ স্বৰূপ অজস্ৰ অশ্ৰু

তিয়াগিব লাগিছে। অইন কি তেওঁৰ সকৰুণ প্ৰতিধ্বনি নীলাকাশত প্ৰবেশ কৰাত, নীলাকাশেও নীল বৰণীয়া মুখ খনি কুলিৰ কনি হেন কলা কৰি বৰষুণ স্বৰূপ চকুলো-টোঁকৰ ধৰিলে। আকৌ গহীন গম্ভীৰ গৰজনি স্বৰূপ স্বৰেৰে যেন যুৱতীক কব ধৰিলে, "যুৱতী! কাৰো ভাগ্যত সকলো দিন সমানে নেযায়, কাৰো জীৱনত সদায় শুক্ল পক্ষ নেথাকে। গগন বিহাৰী চন্দ্ৰ সূৰ্য্যকো এদিন কাল ৰাহুৱে গ্ৰাস কৰে। এনে স্থলত তুমি আমি কোন চাৰ? ধৈৰ্য্য ধৰা, দুখৰ যৱনিকা পতনৰ পিছতেই যে সুখৰবি উদয় হব, সি লগা বন্ধা কথা। কাৰণ তাৰ ওলোটাটোহে যদি ঘটে তেন্তে "চক্ৰবৎ পৰিবৰ্ত্তন্তে সুখানিচ দুঃখানিচ" কথা আষাৰিৰ নো মূল্য কি থাকিব?

কিন্তু হায়, প্ৰকৃতিৰ প্ৰবোধ সূচক অস্ফুট বাণীয়েও তেওঁৰ মনৰ গতিৰ সাল-সলনি কৰিব নোৱাৰিলে। লবাৰ কান্দোনেই সম্বলৰ নিচিনা তেওঁৰো উপায় অন্তৰ বিহীণ এই বিপন্ন অৱস্থাত কান্দোনেই জীৱনৰ লগা ভগা সাৰথি হ'ল।

অবিৰাম কান্দোনৰ ভাগৰতে তেওঁ ঘনাই ঘনাই হামিয়াব ধৰিলে। আকৌ যেতিয়া তেওঁ বুজিব পাৰিলে যে ইমানতো শান্তিময়ী নিদ্ৰাদেবীয়ে অভাগিনীক পাহৰিব পাৰা নাই, তেওঁ ওচৰতে হালি থকা বনবকুল জুপিতে আউল-বাউল হোৱা চুলিৰে মূৰটি থলে।

তেওঁ এফলীয়াহৈ হেলনি দিয়া বাবে, আবেগতে ওলোৱা চকুলো কেধাৰিয়ে, তেওঁৰ গালেৰে মুকুতাৰ ধাৰ বোৱাদি বৈ, তেওঁৰ আশ্ৰয় দাতা গছক অৰ্চ্চনা কৰিলে। বকুল ডালিয়েও যেন দানৰ প্ৰতিদান স্বৰূপে মৰমতে তেওঁক সাবটি ধৰিলে। সূৰ্য্যদেৱৰ মেলানিৰ লগে লগে লাজুকী লতা তেনেই জয় পৰি যোৱাৰ দৰে, নিদ্ৰাদেবীৰ কোলাত আশ্ৰয় লোৱা মাত্ৰকে তেওঁৰ গাত তত্ নোহোৱা হ'ল। তেওঁৰ এনে অৱস্থাৰ পৰা তেওঁ শান্তিময়ী নিদ্ৰাদেবীৰ অনুগ্ৰহত এফেৰি শান্তি লভিব পাৰিব বুলি আশা হৈছিল। কিন্তু হায়, তেওঁৰ সেই শান্তি ক'ত? করুণাময়ে কৃপাচকুৰে নেচালে কোনোবাই শান্তি শান্তি কৰি উটি বুৰি ফুৰিলে শান্তি পায়নে?

তেওঁৰ চকু মুদিবৰ এঘণ্টা হওঁ নহওঁতে কোনোবাই যেন চিঞৰি চিঞৰি কব ধৰিলে, "লীলা ! প্ৰাণলৈ' যদি তোমাৰ অকণমানো মমতা থাকে, যদি তোমাৰ ইহজীৱনৰ আশা ভৰষা আতৰা নাই, তেন্তে তুৰন্তে উঠা ! তোমাৰ চকুৰ আগতে বিপদ সমুদ্ৰ । জিৰণিৰ সময় বহুত পাবা ! যোৱা, যোৱা, পলাই পতং মাৰা ।

এই কথা কেষাৰি কাণত পৰা মাত্ৰকে লীলাই উচপ্ খাই সাৰ পালে । হঠাৎ তেওঁৰ অঙ্গ প্ৰত্যঙ্গ বোৰ থৰ্ থৰ্ কৰি কপি উঠিল । নোমবোৰ কটলা পহুৰ কাইট হেন হ'ল । ইমানতে নহয় মাইকী হৰিণ এটিৰ তেজ পিবলৈ ধৰা নিচেই ওচৰলৈ অহা নাহৰ ফুটুকী বাঘ এটিৰ টক্ টক্ কৈ জ্বলা চকু দুটিৰ ভীষণ তিৰবিৰণিয়ে যেতিয়া বিদ্যুত মালাৰ দৰে তেওঁৰ চকুৰ গতি ৰোধ কৰিলে, তেওঁ এটি মাটিৰ পুতলাৰ দৰে থিয় হৈ ৰল । কিন্তু করুণাময়ৰ অপাৰ করুণা গুণে হঠাৎ সেই সপোন্ টি তেওঁৰ মনত পৰিল । আৰু ততালিকে পিছৰ্ পিনে লৰ্ দিলে । কিন্তু কণ্ডা ! কপালৰ গাথি

যে মুকলি হোৱা নাই। তেওঁ বাঘৰ হাতৰ পৰা সাৰি যোৱা পাছৰ কথা লৰৰ কোৰতে এটি কাইট-ময় গড়খায়েত পৰি কংকালৈকে পোত গল। বাকী যি খিনি আছিল, তাকো লতা পতা বোৰে মেৰাই ধৰি নেদেখা কৰিলে। এইটো তেওঁৰ প্ৰতি অনুগ্ৰহ নে নিগ্ৰহ তাক দেখা জনেহে জানে।

মহ ডাঁহবোৰৰ কামোৰণিত তেওঁৰ শৰীৰ বিবৰ্ণ হ'ল। বাঘআচ্ৰাৰ আচৰণিত তেওঁৰ কুসুম প্ৰায় কোমল শৰীৰ তেজেৰে ৰঙা হ'ল। অব্যাহতি পোৱাৰ আশাৰে মৰি মৰজাত দি লাগি গল, কিন্তু সকলো পৰিশ্ৰম বিফল হ'ল, সকলো আয়াস উৰি গল। কেৱল বিপদ ৰাহুৱে ক্ৰমশঃ গিলি পেলাব ধৰিলে। অতিপাত চট্ ফটনিৰ কোবত তেওঁ কংকালৰ মেখলা খনিৰ পৰাও বঞ্চিত হ'ল।

লীলাৰ জীৱনত তিনি সাজৰ এসাজো কম নহৈছিল। এনে স্থলত আজি দুদিন তেওঁ এটি খুদ-কণও ভিতৰ কৰিব পোৱা নাই। এই কষ্ট-টিয়েও সময়ত আয়ুৰ লগত বায়ু সহায় হোৱাৰ

নিচিনা তেওঁৰ দেহৰ লাবন্যতাক সমূলি নষ্ট কৰিলে। তেওঁৰ তেজোময় শৰীৰ নিস্তেজ হ'ল। কৰ্ম্মকুশল শৰীৰ অবশ হ'ল। মুঠতে কবলৈ গলে, এই শঙ্কট সাগৰ পাৰ হোৱা কথাটি তেওঁৰ পক্ষে একেবাৰে অসম্ভৱ হৈ উঠিল।

—•—

সপ্তম পৰিচ্ছেদ।

—০—

বিষ্ণুপুৰ নামবড়ভাগ মৌজাৰ উত্তৰ পূব চুকত থকা এখনি মঙ্গলীয়া তৰহৰ গাওঁ। অধিবাসী ৭০।৮০ ঘৰৰ কম নহব। কওঁতে শুনিছো, লৰা ৰজাৰ দিনত মানৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ নানা গাওঁৰ নানা জাতৰ মানুহ গৈ তাত আশ্ৰয় লৈছিল। সেই গাওঁৰে মগেন্দ্ৰ ভট্টাচাৰ্য্য এজন লেখৰ মানুহ। গাওঁৰ সকলোতকৈ লিখা-পঢ়াত আগবঢ়া, মেলত ন্যায় পৰায়ণ, কৰ্ম্মত নিপুন আৰু

চৰিত্ৰত নিৰ্ম্মল হোৱা বাবে গাওঁৰ কোনো মানুহেই তেওঁৰ অপযশ ৰটিবৰ সুযোগ নেপায়।

মানুহৰ সুখ-দুখ, সম্পদ-বিপদ, আপদ-অথন্তৰ বুজা বাবে ডাঙৰ গছ বুলি আটাইয়ে তেওঁত আশ্ৰয় খোজে। আজি কেবাদিনো হ'ল, চাকৰ দুজন ওলাই যাবৰ পৰা এইবেলি তেওঁৰ খেতি-বাতিৰ বৰ লোকচান। সিদিনাখন কোনোবা ফালৰপৰা চাকৰ বিচাৰি আহি সোঁ হাতত জাৰিটি, কান্ধত গামোছা খনি আৰু খৰম জুৰি বাওঁ হাতত লৈ পদূলি মুখ ওলাইছে মাত্ৰ, এনেতে এটি ২৪ বছৰ মান বয়সৰ ডেকা তেওঁৰ চকুত পৰিল।

ডেকাৰ মুখ মণ্ডলৰ বিবৰ্ণতা, দেহৰ বিবশ অৱস্থা আৰু দিম নিদিমকৈ খোজ দিয়া হাথনিৰ পৰা তেওঁৰ গাত যে দুখ-হাতুৰিৰ কোব নাইবা চিন্তা-ৰেণুৰ চোচৰণি লাগিছিল, তাক আনৰ মনবুজা মেম্বৰৰ বুজিবৰ বাকী নেথাকিল। তেওঁ ততালিকে গহীনাই মাত লগালে, "বোপা! তই ক'ত থাক? তোৰ আকৃতি প্ৰকৃতিৰ পৰা অনুমান হৈছে যে তোৰ বিমল মানস সৰোবৰক যেন বিষাদ পোনাই

আধৰি পেলাইছে। আচলতে তই এনে কিবা মহা চিন্তাত পৰিছ, যি চিন্তা-কুঠাৰে তোক চিৰা-চিৰ কৰি পেলাইছে।”

ভট্টাচাৰ্য্যৰ কথা শুনি ডেকাই ক্ষীণ স্বৰেৰে মাত লগালে, “ধৰমৰ পিতৃ! আজি তিনি দিন হ’ল মোৰ পেটলৈ অন্নৰ লেশ মাত্ৰও যোৱা নাই। আগেয়ে এমুঠি খাব দিয়ক; নৰকৰ কীটৰ দুখৰ ভাগ লবলৈ যদি ইচ্ছা কৰে, অভাগাৰ পাপ-কাহিনী পিচত কৈ থাকিম।”

যুবকৰ কথা শুনি দয়ালু ভট্টাচাৰ্য্যৰ অন্তৰত দুখ লাগিল। তেওঁ ততালিকে যুবকক ঘৰৰ ভিতৰলৈ লৈ গল আৰু এখন্তেকৰ ভিতৰতে খুৱাই-ধুৱাই আনি কৌতুহল চৰিতাৰ্থ কৰিবৰ মনেৰে ওচৰত বহুৱালে।

ভট্টাচাৰ্য্যৰ লৰাকালৰে পৰা এটি স্বাভাবিক অভ্যাস আছিল—তেওঁ যেই সেই ঘটনাৰে আহ-উহ নোলোৱাকৈ নেৰে। সেই অভ্যাসৰ বলত বলীয়ান হৈ তেওঁ দুনাই সুধিলত, ডেকাই তেওঁৰ দুখৰ কাহিনী বিবৰিবলৈ আৰম্ভ কৰিলে,—“দেউতা!

অভাগাৰ ঘৰ ক্ষেত্রি অঞ্চলত। নাম লোহিৰাম। উপৰ্জিবৰে পৰা ঘৰৰ চুকতে বুঢ়া হলো। গাওঁৰ নিচেই নিঃকিন অৱস্থাৰো কেতবিলাক মানুহ উজনিলৈ গৈ যথোচিত ধন সোন আৰ্জ্জি লৈ জীৱনৰ বাকী চোৱা কাল হেলাৰঙ্গে কটাব লাগিছে। তেওঁলোকৰ ভাগ্য আকাশত সুখৰবিৰ উদয় দেখি চকুত পেক লাগিলত এবাৰ ভাগ্য পৰীক্ষা কৰি চাবলৈ মোৰো মন লৰিল। গতিকে, নানা কল্পনা-জল্পনা মনত সাজি এগৰাকী প্ৰাণসম বন্ধুৰে সৈতে ঘৰৰ বাজ হলো। কি কুক্ষণত ওলাইছিলো, কব নোৱাৰোঁ, বাটতে বিধি পথালি দিলে। আমালোক দুদিন নিৰাহাৰে থকা বাবে, মই মোৰ প্ৰিয়তম বন্ধুক বননিতে বনবকুল এডালিৰ তলত বহুৱাই থৈ কিবা ফল-মূল পাম বুলি প্ৰকাণ্ড বননিৰ আন এফাললৈ গলোঁ। তেওঁও খোৱাৰ আশাতে বহি পৰিল। কিন্তু শুনিলে দুখ লাগিব, অভাগাই ফল-মূল বিচাৰোঁতে কাল বাতি আহিল। মইও প্ৰাণ বন্ধুৰ লগ লোৱাৰ আশাৰে অনাই-বনাই বহুত ঘুৰিলোঁ। কিন্তু বিধিৰ কি বিপাক—

তেওঁৰ সাক্ষাৎ এই হতভগাৰ পক্ষে নিশাৰ সপোনৰ দৰে অসাৰ হ'ল। গোটেই ৰাতিটো ধৰি, কত ঘুৰিলোঁ, কিমান দৌৰিলোঁ, কিন্তু পৰিণামত তেওঁৰ সাক্ষাৎ পোৱা আশাটি বাওনাৰ স্বৰগ চুকি পোৱা আশাতকৈ গধুৰ হ'ল। মোৰ অবিহনে তেওঁৰ কি অৱস্থা, তাক পৰম পুৰুষেহে জানে। তেওঁৰ বৰ্ত্তমানত মোৰ এনে দুৰৱস্থা নঘটিলহেতেন। এনেতে হঠাৎ যুবকৰ চকুলো সব সৰ কৈ বৰ ধাৰলে। তাৰ পিছত আকৌ কব ধৰিলে, 'আমো নেপালোঁ, ফৰমুটিও বলোঁ।" এনে অৱস্থাত মই ক'লৈ যাওঁ, কি কৰোঁ, ক'ত তেওঁক লগ পাওঁ ইত্যাদি ভাবি চিন্তি বিবুধিত পৰিলোঁ। ইপিনে ঘৰলৈ উভটিব লাগিলেও লাজৰ কথা। গতিকে আগৰ মানসিক লক্ষ্যটিকে ঠিৰাং কৰি নগাওঁত ওলালোগৈ।

কিন্তু কৈ, "ঘৰে পৰি জঞ্জাল, বাহিৰত মোৰ দুখ, কৰিবাই কয় মোৰ কতো নাই সুখ।" তাতো নানা কাৰণে তিষ্ঠিব নোৱাৰি দুনাই উভটি আহি আজি দুবছৰৰ মূৰত এইখিনি পালোহি। মোৰ

আৰু ঘৰৰ পিনে উভটিবৰ ইচ্ছা নাই ; আপোনাত আশ্ৰয় মাগিছো, নিৰাশ্ৰয়ক আশ্ৰয় দিয়ক ।”

দয়ালু ভট্টাচাৰ্য্যই তেওঁৰ দুখত দুখী হৈ মাহিলী ৬৲ টকাকৈ দৰমহা দি তেওঁৰ ঘৰতে ৰাখিলে ।

পাঠক ! লাহিৰাম আন কেওঁ নহয়, আপোনাসকলৰ সুপৰিচিত লীলাৰ জীৱন সৰ্ব্বস্ব সেই লাবণ্যহে । আৰু তেওঁৰ প্ৰাণসম বন্ধু যি জনব কথা কলে, তেওঁ আমাৰ লীলাত বাজে আন কেও নহয় । কেৱল ভট্টাচাৰ্য্যক তেওঁৰ সঠিক বিবৰণ দিবলৈ লাজ কৰি মূল ঘটনাটিতে ৰহণ সানি আংশিক সঁচা কথা কৈছিল ।

কমলেশ্বৰৰ লগত লীলাৰ পৰিণয়ৰ প্ৰস্তাৱ ঘানাক্ ঘুনুক্কৈ কাণত পৰাৰে পৰা উভয়ে কিমান কথা পাতিলে, কত বুধি সাজিলে, তাৰ অলপমান পাঠক সকলৰ কাণত পৰিছেই । কিন্তু কোনোটি হলে ঠিবাং নহল ।

অৱশেষত পিতৃভিঠা পৰিত্যাগ কৰাকে সাব্যোগত কৰি কৃষ্ণ চতুৰ্দ্দশীৰ দিনাখন ৰাতি দোভাগ

বিয়লাৰ বহুত পিছত, দুয়ো কোনেও সন্তেদ নোপো-ৱাকৈ ঘৰৰ পৰা বাজ হ'ল। মৰি মৰজাহ দি ঘৰৰ পৰা ৫।৬ মাইল মান আঁতৰলৈকে যাওঁতেই সূর্য্যদেৱ অদূৰ ভবিষ্যতত পূব আকাশলৈকে যে আহিব, তৰক্ ধৰিব পাৰা গল। গতিকে নিজ গাওঁৰ ওচৰতে থকা বাবে, দুনাই যোৱা মঙ্গল কৰ নহব বুলি ভাবি, ৰাতি পুৱাই বননিৰ ভিতৰ সোমাল। পেটৰ ভোকৰ কল-মলনিৰ কোবত তয়া-ময়া দেখিব লগীয়া হোৱাত আবেলি লীলাক গছৰ তলত বহুৱাই থৈ লাবন্য ফল-মূলৰ অনুসন্ধানত বাহিৰ হ'ল। কিন্তু বিধিৰ বিপাকত পৰি, তেওঁৰ দুনাই লীলাৰ লগত সাক্ষাৎ নঘটিল। গতিকে কিংকর্ত্তব্য বিমূঢ় হৈ তাতে এৰাতি কটাই অৱশেষত নগাওঁত ওলালগৈ। কিন্তু তাতো শান্তি লভিব নোৱাৰি দুনাই উভতি আহি ভট্টাচার্য্যৰ আশ্রয় ললেহি। সকলো মানুহৰ পৰাধীন জীৱনত সমান অভিৰুচি নেথাকে। সেইদৰে চাকৰি কৰিবলৈ লাবন্যৰ মনে প্রবোধ নেমানাত ভট্টাচার্য্যৰ আশ্রয়ত তেওঁৰ ঘৰৰ ওচৰত ঘৰ-দুৱাৰ সাজি লৈ নিজে

এহাল হালোৱা গৰু আৰু হালৰ সঁজুলিবোৰ সংগ্ৰহ কৰি খেতিবাতি কৰিব ধৰিলে। পৰিশ্ৰমী মানুহ লক্ষ্মীৰ বৰ পুত্ৰ। সুপৰিশ্ৰমৰ ফলত এবছৰৰ ভিতৰতেই তেওঁৰ গাৰ কাণি ভুখৰি আৰু পেটৰ ভাত মুঠি মিলা হ'ল।

—০—

অষ্টম পৰিচ্ছেদ।

—০—

সেই জীৱনৰ অমাবস্যাৰ সময়ত, দয়াল হৰিয়ে লীলাৰ হিয়াত খুন্দা মাৰি দিলে নেকি—আহিবৰ সময়ত শাৰীৰ আচলত যে এখনি পহুদেবীয়া সৰু চোকা কটাৰী বান্ধি আনিছিল, এই কথা খিনি জীৱনৰ সেই সন্ধিক্ষণত তেওঁৰ মনত পৰিল। এই শেষ চেষ্টাৰ সময়ত তেওঁ ততালিকে আঁচলৰ পৰা কটাৰী খনি উলিয়াই মৰোঁ জীওঁ সোঁ আধিকৈ কটাৰী খনিৰে লতা-পতাবোৰ কাটিব ধৰিলে।

লাহে লাহে বাঘ আচ্বা লতাবোৰ কাটি আতৰ কৰিলে। বহু দূৰ সাঁতুৰি অহা মানুহে এডুখৰি বালিচৰ পালে যেনেকৈ জিৰাই শতাই লয়, তেনেঁ লতা-পতাবোৰ আঁতৰ কৰি বহু সময়ৰ বাবে জিৰণি ললে। অস্তত গড়খায়ৈৰ কাণতে হালি থকা তেতেলি এজোপাৰ ডালত ধৰি গছৰ ওপৰত উঠিল। তেওঁ মেথলা খনিৰ মায়া সমূলি তিয়াগি, তাক আনি-বলৈ অকণো চেষ্টা নকৰি, কাঁইটবোৰত লাগি চিৰা-চিৰি হোৱা ৰিহা খনিকে পিন্ধি ললে। তাৰ পিছত লক্ষ্য ভ্ৰষ্ট পপিয়া তৰাৰ দৰে য'তে ৰাতি ত'তে কাটি অৱস্থাকে মনত লৈ চি বননিৰ বাজ হ'ল। স্ৰজন, পালন আৰু সংহাৰৰ গৰাকী বিশ্ব নিয়ন্তাৰ দয়াতেই হৰ পায়—বননিৰ বাজ হৈয়েই দুজনী তিৰোতা দেখা পালে।

তিৰোতা দুজনী আন কেও নহয়, বচন আৰু তেওঁৰ মাৰহে। এওঁলোকৰ ঘৰ বালীত, বালী টিলুৰ পৰা তিনি মাইল পূবে। আজি লীলাৰ হিয়াত দুখৰ পৰিমান যিমান বেছি, বচনৰ হিয়াত

অপাৰ আনন্দৰ মাত্ৰা সিমান সৰহ। এবছৰ ধৰি নেদেখা মামায়েকৰ ঘৰ দেখিব, ভায়েক ভণীয়েক-হঁতৰে সৈতে বং ধেমালি কৰিব, পেট টন্‌টনীয়াকৈ লাড়ু পিঠা জলেপী খাব পাব এইবোৰ আলচিয়েই তেওঁৰ মনটো বৰ উলহ-মালহ। আজি তেওঁৰ হিয়া কাননৰ মাজেদি যিখনি আনন্দ নৈ বব লাগিছে, খবালি খেদে যদি সেই নদীৰ বিমল ধাৰক বিষাদ সূৰুযৰ হতুৱাই আহুকালত নেপেলাব হোতেন; তেন্তে বিষাদ কাক বোলে তেওঁ তাৰ ভুকেও নেপালেহেঁতেন।

বতন এলেহুৱা বিধৰ ছোৱালী নহয়। থানাক্ থুন্নকৈ খোজ দিব পৰা হোৱাৰ পৰাই তেওঁৰ স্বভাব চৰিত্ৰ কেনে হব, তাক ভাল দৰে বুজা গৈছিল। কাৰণ যি মূলা বাঢ়িব তাৰ চিন দুপাতীয়াতেই ধৰিব পাৰি। সৰু-সুৰা লাচনি-পাচনি কৰিব পৰা হোৱাৰ পৰাই, যোৱে তেওঁক যি লামলাকটু আনিবলৈ আদেশ কৰে, তেওঁ ততালিকে তাক আনি হাজিৰ কৰি দিয়ে। বচনে

ডাঙ্গৰৰ আদেশ পালিখলৈ হেলা নকৰ্বা বাবেই যেওঁৰ নাম হ'ল বচনপ্ৰিয়া।

মুঠ কথা, আজি ৰাতি পুৱাবে পৰা, মাকক কেনেকৈ সোনকালে উলিয়াই নিব পাৰে এই চিন্তাতেই বচন ব্যস্ত। মাকক সোনকালে ওলা-বলৈ কত যে খাটিলে, মাকৰ হৈ গৃহস্থিৰ কাম-বন কত যে কৰি আঁতালে তথাপি থেন্ থেন্-মেন্ মেন্ মাকৰ ওলাবৰ নহয়েই। বহু খাটনিৰ ফলত যি হওক মাক সাজু হৈ ওলাল আৰু বচ-নক আগতলৈ ভায়েকহঁতৰ ঘৰৰ পিনে যাত্ৰা কৰিলে।

বচনৰ মোমায়েকৰ ঘৰ ভোজকুছিত। ভোজ-কুছি ৰৰপিট বোলা প্ৰকাণ্ড বননি খনিৰ উত্তৰ ফালে; কিছু আঁতৰত। পাঠক! আমাৰ লীলা লাবন্যৰ আশালতা জুপি লেৰেলা পৰা ঘটনাটি যদি ফহিয়াই লয়, তেন্তে ৰৰপিটৰ ভীষণতা বুজি-বলৈ আপোনাৰ আৰু বেছি সামগ্ৰীৰ দৰ্কাৰ নহব। এই বননিৰ গাঁড়ৰি, বাঘ প্ৰভৃতি বনৰীয়া জন্তুবোৰ মাজে মাজে বননিৰ ওচৰৰ গাওঁ

ভূঁই বোৰত সোমাই বৰ আহুকাল ঘটায়। ৰাবিষা বান পানী আহি পথাৰবোৰ ৰূপৰ পতা যেন কৰি তুলিলে, জপিয়াই জপিয়াই অহা ধুনীয়া পছুবোৰ চাই থাকিবৰ মন যায়। বিয়াবাৰু বোৰত বাৰুদৰ ফুলজাৰি লগালে, যি এটি চকুত চমক্ লগা দৃশ্য দেখা যায় হৰিণৰ খুৰাৰ কোৰত চিটিকা পানীবোৰবো তেনে দৃশ্য হৈ মন প্ৰাণ হৰে। বোধকৰো বিধাতাই বিয়াবাৰু হব নোৱাৰা এই সময়ত পানীৰে এনে মন মোহা দৃশ্য তৈয়াৰ কৰি পৰাণীবোৰক দেখুৱায়।

বুঢ়া-বুঢ়ী সকলৰ মুখৰ পৰা এই বননিৰ ভিতৰত কিছুমান লোমহৰ্ষক কাণ্ড ঘটা বুলি শুনা যায়। সচানে মিছা সেইটোলৈ পৰচকু অন্ধকাৰ। ওচৰৰ গাওঁৰ ওখ গছত উঠি বননিৰ ফালে চকু কৰিলে, এতিয়াও বননিৰ ঠিক সোঁ মাজত এটি পুখুৰীৰ পাৰত এডাল কাকিনী তামোলে আকাশ ধিয়াই থকা দেখা যায়।

সিবোৰ যি হওক, বচন আৰু মাক গৈ গৈ মোমায়েকহঁতৰ ঘৰৰ ওচৰ পালে। এনেতে বন-

নিৰ ফালৰ পৰা পলাই অহা লীলাৰ চকুজুৰি আৰু বচনৰ চকুজুৰিৰ হঠাৎ সাক্ষাৎ হ'ল। লীলাক দেখি প্ৰথমতে যদিও বচনৰ হিয়াত অলপ ভয়ৰ সঞ্চাৰ হৈছিল, তথাপি মাকৰ "দীন দুপৰীয়া কিহৰ ভয় ?" কথা আষাৰিয়ে বচনৰ সন্দেহ আঁতৰাই নিলে।

দয়া, মমতা প্ৰভৃতি সত্ত্বগুণবোৰৰ প্ৰভাৱ মটাতকৈ তিৰোতাত হে বেছি। লীলাৰ দুৰৱস্থাৰ কথা শুনিব পাই, তিৰিমতী বচনৰ মাকৰ হিয়া মৰমতে পমি গ'ল। ইপিনে লীলা যদিও অপৰিচিতা, তথাপি বয়স আৰু ৰূপ-গুণৰ সাম্যতা থকা বাবে বচনৰো বেথা উপজিল। তেওঁ লীলাক লগতে মোমায়েকহঁতৰ ঘৰলৈ লৈ গ'ল আৰু তত্তালিকে খোৱাৰ বন্দবস্ত কৰি দিলে।

মানুহৰ কথা বতৰাত আৰু গৰুৰ চেলেকা-চেলেকিত আদৰ বাঢ়ি যায়। লীলাৰ আদৰ-সম্ভাষণত বচনৰ মন লৰিল আৰু আবেলি লীলাক তেওঁলোকৰ ঘৰলৈ লৈ গ'ল। ইয়াৰ কেইদিন

মান পাছতে লীলা আৰু বচন সখিত্ব বান্ধোনেৰে বান্ধ খালে। বচনইঁতৰ মৰম বেথাৰ মাজত লীলাই সুখেৰে কাল যাপন কৰিব ধৰিলে।

—*—

নবম পৰিচ্ছেদ।

—*—

বিধাতাৰ ভড়ালৰ পৰা সংসাৰলৈ লৈ অহা চাউল মুঠি নুটুকায় মানে মানুহে নানা ঘাত-প্ৰতি-ঘাতৰ মাজেদি গৈও জীৱন যুদ্ধত জয়-লাভ কৰে। করুণাময়ৰ কৃপাদৃষ্টিত পৰিলে বোবাও বাক্‌পটু হয় আৰু খোৰাইও পৰ্ব্বত অতিক্ৰম কৰিব্ পাৰে। কিন্তু ইয়াকো দেখিবলৈ পোৱা যায় সৌভাগ্য সৰোবৰত সাতুৰি-নাদুৰি থকা সঙ্গতিপন্ন মানুহো কালৰ কুটালা গতিত দুৰ্ভাগ্য দলনিত পৰি চৈধ ভূবন দেখে।

লীলাময়ৰ লীলা বুজা টান। যাৰ জীৱনৰ আদি ছোৱাত অন্ন কষ্ট বোলা কথাটি নিশাৰ

সপোনৰ দৰে অমূলক আছিল যাৰ মনৰ প্ৰফুল্ল-তাই ভোমোৰা বিলাকৰ গুণ গুণ গানত আৰু সুশীতল সমীৰণ সম্ভাষণত আপ্যায়িত হৈ সৰোবৰৰ বিমল পানীৰ ওপৰত উলাহতে নাচি-বাগি থকা পদ্মিনীৰ প্ৰফুল্লতাকো উপহাস কৰিব পাৰিছিল, সেই ললিতৰ হিয়াৰ পুতলি লীলাৰ আজি কি বিপন্ন অৱস্থা। নিশানাথৰ লগত সতিনায়েক কুমুদিনীৰ কৌতুক চকুত পৰিলে, হবিষতে হালি-জুলি থকা পদ্মিনীৰ সুকোমল শুভ্ৰ দেহখনি মনৰ দুখতে জয় পৰি যোৱাৰ দৰে, বাৰে বাৰে নানা বিপদ সমুদ্ৰত উটি-ভাহি থকা সময়ত, সখিয়েক লবঙ্গলতাইতৰ সুখ-সম্পদক ভাবি ভাবি নিজৰ জীৱনলৈ ধিক্কাৰ আনোতে, আজি আকৌ লীলাৰ লাবণ্যতা জয় পৰি গ'ল। তেওঁ আজি পথৰ কাঙ্গালিনী। পেটত প্ৰবোধ দিবলৈ ওৰে দিনটো হাবা থুৰি খাব লগাত পৰিছে! মৰমৰ সলনি ঘৃণা সুখৰ সলনি দুখ, হৰিষৰ সলনি বিষাদ, সুবেশৰ ঠাইত কুবেশ দুগ্ধ ফেন নিভ শয্যাৰ ঠাইত অপৰিষ্কাৰ তৃণ শয্যা আজি তেওঁৰ ভাগ্যত দৈনন্দিন ঘটিব লাগিছে।

এইবাৰৰ বিপদৰ ঘাই কাৰণ, তেওঁৰ একমাত্ৰ অবলম্বন বচনৰ মাক যোৱা জহনীত ঢুকাল। ইপিনে বচনো শহুৰি থাটিবলৈ ওলাই গৈছে। কাজে কাজে লীলাই পেটক প্ৰবোধ দিবলৈ ভিক্ষা বৃত্তি অবলম্বন কৰিব লগীয়াত পৰিল। এই অৱস্থাতেই তেওঁৰ তিনি বছৰ এঘাৰ মাহ উকলি গ'ল।

ঈশ্বৰৰ ইচ্ছাতেই বোলক, খুজি মাগি আহোতে আহোতে হঠাৎ এদিন তেওঁ লাবন্যৰ ঘৰ পালেহি। ইয়াতে দুয়োকো দুয়ো চিনি পালে। দীৰ্ঘকাল বিৰহ ভোগৰ পাছত চিন্তা-শ্ৰীবৎস, নল-দময়ন্তী অথবা এঞ্জেলিনা এডুইনৰ পুনৰ মিলনত অন্তৰাত্মাত যি অব্যক্ত আনন্দই খেলা কৰিছিল, আমাৰ লীলা লাবন্যৰো ঠিক তেনেকুৱাই হ'ল। আনন্দতে চকুৰ পানী ওলাব ধৰিলে। আন আন ইন্দ্ৰিয়-বোৰৰ কাৰ্য্য দক্ষতাই তেতিয়াৰ বাবে মেলানি মাগি তেওঁলোকৰ কৰ্ম্মকুশলতাক চকুৰ কাৰ্য্যত হে যেন যোগ দিব আদেশ দিলে, ফলতঃ চকুৱে অৱসৰ নপোৱা হ'ল।

অবশেষত লাবণ্যই অতিকষ্টেৰে মাত লগালে, "লীলা! অভাগাৰ বাবে কত নিকাৰ ভূগিলা। নদীৰ প্ৰবল সোঁতত পৰি সহায়হীন তিৰিণ্ গছ যেনেকৈ কপি কপি উটি-ভাহি যায়, হায়, অভাগাৰ বাবেই নানা আপদ-বিপদৰ সৈৰ সোঁতত সহায়হীনা তুমি কিমান যে হাবু-ডুবু খালা, তাক তোমাৰ অৱস্থাই কয়। করুণাময়! মহাপাপীৰ নৰকতো ঠাই হবনে? পৰম পিতা! তোমাৰ অধম সন্তানে দুদিনীয়া ভাবি সুখ-সৌভাগ্যৰ মৰীচিকাত মোহ গৈ তয়া-ময়া দেখিব লগাত পৰিছো, জালত বজা সিঙ্গৰা হেন হৈছো। এতিয়াই পাপ-জুইত পুৰি জঘণ্যৰ অস্তিত্ব দূৰ নকৰা কিয়? জঘণ্যৰ জঘণ্য বৃত্তিক অনুকৰণ কৰি তোমাৰ কেতামান সুসন্তানো যে লয় পাব।"

লীলা—"প্ৰভো! পাপিনীক সন্তাপ নৈত উটাই জলা-কলা কৰে কিয়? তাহানিখন, জীৱনৰ পট-পৰিবৰ্ত্তনৰ সময়ত, লেৰেলা বকুল মা ধ ৰবে অভাগিনীৰ ভাগ্যৰ সকলো সুখ-দুখ, সম্পদ-বিপদ

পবিত্র পদলৈ পঠোৱা নাছিলোনে ? কোন পাপি-নীৰ পাপ পাকত পৰি ইমান দুখ-কষ্ট অকাতৰে বুকু পাতি ললে ?”

লাবণ্য ! আজি তোমাৰ জীৱনৰ মাহেন্দ্ৰক্ষণ উপস্থিত। তোমাৰ সন্তাপৰ সময় নহয়। আচ-লতে, মানব জীৱন সুখ-দুখৰ কুৰুক্ষেত্ৰ। যি এই মহাসমৰত সহিষ্ণুত ঢাল থনিৰে দুখ-খড়গৰ ঘা সহিবলৈ সমৰ্থ হয়, তেওঁ জয় লাভ বোলা সুখৰ পোহৰৰ সহা-য়েৰে সংসাৰ সাগৰত সেতু বান্ধি, হেলাৰঙ্গে পাৰ হৈ জীৱনৰ লক্ষস্থানত জিলিকিব পাৰে। তেনেস্থলত জীৱনৰ অন্ধৰায় সমূহক চাই, দূৰৈত পৰিহৰ দি নিজৰ জীৱনক অকৰ্ম্মণ্য বিবেচনা কৰাতকৈ মানুহৰ “একা-লত দুখ, একালত সুখ” এই প্ৰবোধ সূচক বচন আষা-ৰিকে হিয়াত লৈ, কৰ্ম্মময় জীৱনক কৰ্ম্মৰ পৰা বঞ্চিত নকৰাটোহে বাঞ্চনীয়। কিয়নো “কৰ্ম্মণ্যে বাধিকা-ৰস্তে মা ফলেষু কদাচন”। তোমাৰ কৰ্ম্মতহে অধি-কাৰ কৰ্ম্ম ফলত নহয়। আকৌ ভাবাচোন ! মানস সৰোবৰৰ সুবিমল সলিলত খেলা খেলি থকা চক্ৰবাক দম্পতিৰ চক্ৰবাকীক যদি ব্ৰহ্মপুত্ৰৰ প্ৰবল তৰঙ্গই

ডিবৰুলৈ (ডিব্ৰুগড়লৈ) উটাই আনে তেন্তে তাৰ বাবে দোষী কোন ? যদি তৰঙ্গই দোষৰ ভাগ লব লগাত পৰে, তেন্তে চক্ৰবাককো ঠিক তেনেদৰে অনাই-বনাই ঘুৰাই, চক্ৰবাক যুগলক আকৌ মিলন সুত্ৰত গাথা বাবে গুণৰ ভাগীও নহবনে ?

সুখৰ কথা, লাহে লাহে উভয়ে উভয়ৰ বিস্ময় ও দুখ পূৰ্ণ ঘটনাৱলীৰ কথা হিয়া খুলি কৈ, তেওঁলোকে আকৌ কৰ্ম্ম ক্ষেত্ৰত ভৰি দিলে। উভয়ৰ প্ৰাণত নব জীৱনৰ সঞ্চাৰ হ'ল। লগতে লাবণ্যৰ আশ্ৰয় দাতা ভট্টাচাৰ্য্যৰ সাহায্যত বিবাহ বন্ধনেৰে বান্ধ খালে।

তেওঁলোকৰ বিবাহ আনৰ বিবাহতকৈ বাহিক আড়ম্বৰ বিহীন হলেও, দম্পতি যুগলৰ যে অন্তৰাত্মাৰ পূৰ্ণ মিলন হৈছিল, তাক কোনেও দুই কৰিব নোৱাৰে।

বিয়া বাৰু সমাপন হলত, তেওঁলোকে গাৰ্হস্থ্য জীৱনত ভৰি দিলে। তেওঁলোকৰ দাম্পত্য প্ৰেমে কুঞ্জবন বিহাৰী কপৌ কপৌৱণীৰ দাম্পত্য প্ৰেমকো

চেৰ পেলালে। বিয়াৰ এবছৰৰ পাছতেই লীলাৰ এটি লৰা উপজিল।

দুখৰ এঘণ্টা সময়কো এযুগ আৰু সুখৰ এযুগকো এখন্তেক যেন বিবেচনা কৰা মানুহৰ স্বাভাৱিক লক্ষণ। লীলা লাবণ্যৰ মনতো এবছৰেই এখন্তেক লগা যেন হ'ল। কিন্তু কিছু দিনৰ মূৰত, এই সুখ-সৌৰভৰ মাজলৈ যে দুখ-দুৰ্গন্ধ অলপ অপি নাছিল, এনে নহয়। লাবণ্যৰ কথা নকওঁৱেই, দুখ দানবৰ হাতত পৰা দিনৰে পৰা, বিশেষকৈ লীলাৰ হৃদয় জুহালত, শৈশৱ কালত মাক বাপেকৰ মৰণত তপোবনৰ নৱ মল্লিকা জুপিৰ দৰে যে ডাঙৰ দীঘল হৈছিল, এই কথা থিনি তুহৰ জুইৰ দৰে জ্বলিছিল। তাতে আকৌ তেওঁ-লোকৰ চাকুকীয়া হিয়াৰ মনিটিয়ে মধুৰ হাঁহি মাৰি আধা ফুটা মাতেৰে যেতিয়া আ বা, আ বা, আ তা, আ তা, কৰিছিল, তেতিয়া সেই জুইত ঘিউ পৰি দুগুণে জ্বলিছিল।

মানুহে দূৰণিত মনোহৰ উপবন সমূহেৰে সুশোভিত অট্টালিকাত বাস কৰিলেও, প্ৰস্ফুটিত

পদ্মৰাজিৰে পৰিশোভিত সৰোবৰবোৰ চকুৰ আগত ৰাখিলেও, সুখাদ্য ভোজনেৰে মনৰ তৃপ্তি সাধিলেও আৰু দেববাঞ্চিত বেশ-ভূষা পৰিধান কৰিলেও, নিজৰ জনম ভূমিত থকা পজাটিলৈ যে কেতিয়াবা কেতিয়াবা মন বিয়াকুল হয়, ই মানুহৰ স্বাভাবিক লক্ষণ। তেনে স্থলত লাবণ্যবো যে মন লৰা নাছিল, এনে নহয়। কেৱল ৰক্ষণশীল হিন্দু সমাজৰ হেঙাত পৰি "ত্ৰাহি ! ত্ৰাহি !!" যে কৰিব লাগিব ইত্যাদি ভাবিহে মনৰ ভাৱ মনতে মাৰ খেদাইছিল।

এতিয়া গছ-লতা উভয়েৰে মন-বঠাৰ খাব এফালে হলে যেতিয়া আৰু কি থিৰেৰে থাকিব পাৰে ? লাগাই যথা সম্পত্তি বেছি ৫০০ ৰূপ হাতত লৈ ভট্টাচাৰ্য্যৰ ওচৰত মেলানি মাগি, লীলা আৰু পোনাটিৰে সৈতে শুভদিনত নিজ ঘৰৰ পিনে যাত্ৰা কৰিলে।

———

সামৰণি ।

—*—

ললিত বৰ্ত্তমান শোৱা পাটীত । আজি চাৰি বছৰ ধৰি তেওঁৰ গ্ৰহণী বেমাৰ । এই বেমাৰ ক্ৰমে পুৰণি হৈ এতিয়া তেওঁক ক্ৰমশঃ দুৰ্ব্বল কৰি শোৱা পাটীত ঢাল খুৱালে । লীলাৰ নিৰু-দ্দেশে তেওঁৰ মনৰ সুখ তেনেই মাৰ খেদালে । সেই দুখৰ মাজলৈ আকৌ গ্ৰহণী বেমাৰ আহিছে যেতিয়া তেওঁৰ জীৱনক গ্ৰাস নকৰাকৈ যে নেৰিব, এইটো তেওঁ ভালকৈ অনুমান কৰি লৈছিল । তেওঁ তেওঁৰ জীৱনৰ সকলো আশা ভৰষা অঁতৰ কৰিলে কিন্তু লীলাৰ প্ৰতি যে অপত্য স্নেহ, তাক হলে পাহৰিব পৰা নাই । তেওঁৰ এই অন্তিম অৱস্থাত এবাৰ তেওঁৰ হিয়াৰ পুতলি লীলাক দেখা পালে, তেওঁ হাতেৰে স্বৰগ চুকি পোৱা যেন পায় । কিন্তু তেওঁৰ ভাগ্যত সেইটো যে ঘটিব, এইটো তেওঁৰ সপোনৰো অগোচৰ ।

সন্তানৰ ভিতৰত লৰাতকৈ ছোৱালীৰ প্ৰতি মাকৰ মৰম বেছি । তেনে স্থলত লীলাৰ অবিহনত

মাকৰ সংসাৰ সুখ যে মৰুভূমিৰ মৰীচিকাত পৰিণত হৈছিল, এইটো নিশ্চয়। তেওঁ কিছুদিন পেটৰ ভাতক পাহৰিলে। হিয়া ভুকুৱাই ২ কত কান্দিলে, কিন্তু তেওঁৰ সকলোবোৰ চাতকৰ নিস্ফল বিননিত হে পৰিণত হৈছিল। এই দুখৰ ওপৰতে তেওঁৰ জীৱন সৰ্ব্বস্বৰ এনে দুৰৱস্থা হৈ তেওঁৰ হিয়া কুসুমক একেবাৰে শুকাই পেলালে। চকুৰ পানী-য়েই সদায় তেওঁৰ জীৱনৰ একমাত্ৰ লগৰীয়া হ'ল।

ললিতৰ এই অন্তিম অৱস্থাত, যেতিয়া ঘৈণী-য়েকে চকুলো টুকি টুকি তেওঁ শোৱা পাটীৰ ওচৰতে বহি আছিল, এনে সময়ত হঠাৎ লীলা আৰু লাবণ্য দুজনীটিৰে সৈতে সেই ঠাইতে উপ-স্থিত হ'লহি। ললিতে হেপাহ পলুৱাই লীলা লাব ণ্যৰ মুখ খনি চাই ললে আৰু খীণ স্বৰেৰে মাত লগালে "আইটি! যি হওক শান্তিতে মৰিব দিলা। এই মৰণ মোৰ স্বৰগ সমান।" এই বুলি নিমাত হ'ল। সকলোৱে নিস্তব্ধ। অলপ পাছতেই গগণ ভেদি এটি কান্দোনৰ ৰোল উঠিল।

সমাপ্ত

PLEASE HANDLE THE BOOK CAREFULLY

মিশ্র বি,এল, শৰ্ম্মা এণ্ড কোং।
পোঃ আঃ টিহু বাজাৰ (কামৰূপ)

আমাৰ হাতত পাইকাৰী ও খুচুৰা বিক্ৰৰ কাৰণে তলত লিখা কিতাপ বোৰ মজুত আছে। ইয়াত বাহিৰে স্কুলৰ পাঠ্য, ধৰ্ম্মপুথি অন্যান্য মালো সস্তা দামতে পাব।

শ্ৰাদ্ধ পদ্ধতি	১৷০	কীৰ্ত্তন (পকাবন্ধা)	২৷৷০
তীৰ্থ পদ্ধতি	১৷৵০	বঘাসুৰ বধ (পকাবন্ধা)	২৷৷০
অন্ত্যেষ্টি ক্ৰিয়া পদ্ধতি	১৷৵	মহাভাৰত (পকাবন্ধা)	৩৷৷০
		ঐ স্বৰ্ণ উত্তম	৪৷৷০
বিষ্ণু সহস্ৰ নাম	১৲	ৰামায়ন ঐ	২৷৷০
সংক্ৰান্তি কৌমুদী	৷৵০	নামঘোষা	১৲
উদ্বাহ তত্ত্ব বিচাৰ	৷৵০	শ্ৰীমদ্ভাগবত ৮ স্কন্ধ	
সটীক গীতা	১৷৷০	অমৃত মথন	৷৷০
সটীক চণ্ডী	৷৷০	বৈষ্ণৱী কীৰ্ত্তণ	৷৷০
গীত গোবিন্দ	৷৷৵০	ৰুক্মিণী হৰণ	৷৷০
দৈৱ কোষ	৷৷০	দেৱ দেবী বন্দনা	৵০
আহ্নিক কৃত্য	১৷৷৵০	লক্ষী চৰিত্ৰ	৵০
অমৰ কোষ	১০	ভীম চৰিত্ৰ	৵০
কোষ সংগ্ৰহ	৷৷৵০	মহীৰাৱণ বধ	৷০
অমৰাৰ্থ চন্দ্ৰিকা	১৷৷৶০	বালি বধ	৶০
মিত্ৰ লাভ	১৷৵০	ধৰ্ম্ম সংবাদ	৷০
শব্দ মঞ্জুৰী	৷৷০	অনাদি পতন	৷৷০
পকেট গীতা	৷৵০	অৰ্জ্জুন সংবাদ	৵০
নিত্যকৰ্ম্ম পদ্ধতি	৷৷০	জন্মাষ্টমীৰ নাম	৵০
তুলসী মাহাত্ম্য		বেউলা	৷৷০
পাণ্ডৱ গীতা	৷৷০	জ্যোতিষ ৰত্ন দৰ্পণ	৷৷৵০
অনুবাদ নবোদয়	৷৷৵০		

DISTRICT LIBRARY
(HEMCHANDRA COLLECTION)